পঞ্জীয়ণ নম্বৰ ঃ ৭৬৮/৯৭

অসম ৰাজপত্ৰ

সত্যমেৱ জয়তে

অসাধাৰণ

প্ৰাপ্ত কৰ্ত্তৃত্বৰ দ্বাৰা প্ৰকাশিত

নম্বৰ ঃ ২০৪ দিশপুৰ, বুধবাৰ, ৩০ আগষ্ট, ২০০৬, ৮ ভাদ, ১৯২৮ (শক)

অসম চৰকাৰ
ৰাজ্যপালৰ আদেশ অনুক্ৰমে
বিধান বিভাগ ঃ বিধান শাখা

অধিসূচনা
তাৰিখ ঃ ১৯ আগষ্ট, ২০০৬

নম্বৰ. এল জি এল. ৭৫/২০০২/১১৫ - তলত উল্লেখ কৰা ভাৰতৰ ৰাজপত্ৰত প্ৰকাশিত আইনখন সাধাৰণভাবে জ্ঞাত কৰণাৰ্থে পুনৰ প্ৰকাশ কৰা হ'ল।

**কেন্দ্ৰীয় আইন নং ৫৩, ২০০৫ চন**

# দুৰ্যোগ ব্যৱস্থাপনা আইন-২০০৫

**(সংসদত গৃহীত)**

দুৰ্যোগৰ সময়ত সু-সমন্বিত ভাৱে সহায় আগবঢ়াব পৰাকৈ তথা তাৰ লগত জড়িত আনুষঙ্গিক বিষয়বোৰৰ ক্ষেত্ৰত ভাৰত গণতন্ত্ৰৰ ৫৬ বছৰ বয়সত সংসদে এখন আইন গৃহীত কৰি এনেদৰে সক্ৰিয়তা প্ৰদৰ্শন কৰিছে ঃ

**অধ্যায়-১**

## প্ৰাৰম্ভিক

১. (১) এই আইনখনক দুৰ্যোগ ব্যৱস্থাপনা আইন, ২০০৫ বুলি ক'ব পৰা হ'ব — চমু শিতান, ব্যাপকতা আৰু বলৱৎ

(২) আইনখন গোটেই ভাৰতবৰ্ষৰ ক্ষেত্ৰতেই প্ৰযোজ্য হ'ব।

(৩) এই আইনখন কেন্দ্ৰীয় চৰকাৰে ভাৰত চৰকাৰৰ ৰাজপত্ৰত অধিসূচনা জাৰি কৰা তাৰিখৰ পৰাই আৰু বিভিন্ন উপবন্ধৰ জাননী তথা বিভিন্ন ৰাজ্যত অধিসূচনা জাৰীকৰা তাৰিখৰ পৰাই বিভিন্ন ৰাজ্যত এই প্ৰসঙ্গত সেই ৰাজ্যত, সেই তাৰিখৰ পৰাই প্ৰযোজ্য হ'ব।

**সংজ্ঞা**

২. এই আইনখনত আৱশ্যকীয় প্ৰসঙ্গ অৰ্থাৱলী এনেধৰণৰ হ'ব ঃ-

(ক) 'আক্ৰান্ত অঞ্চল' মানে দুৰ্যোগে কোবাই যোৱা দেশৰ কোনো অংশ বা অঞ্চল।

(খ) 'সক্ষমতা বৃদ্ধি'ত সন্নিবিষ্ট হ'ব-

(১) থকা সম্পদখিনি চিনাক্ত কৰা আৰু নতুন সম্পদ আহৰণ নতুবা সৃষ্টি কৰা।
(২) উপধাৰা (১) অনুসৰি চিনাক্ত কৰি নতুন সমল আহৰণ বা সৃষ্টি কৰা।
(৩) দুৰ্যোগৰ সময়ত সু-ব্যৱস্থাপনাৰ অৰ্থে সংস্থা বা ব্যক্তিক প্ৰশিক্ষণ দিয়া আৰু এনে প্ৰশিক্ষণত সমন্বয় ৰক্ষা কৰা।

(গ) 'কেন্দ্ৰীয় চৰকাৰ' মানে দুৰ্যোগ ব্যৱস্থাপনাৰ স'তে জড়িত প্ৰশাসনীয় নিয়ন্ত্ৰণ থকা ভাৰত চৰকাৰৰ মন্ত্ৰণালয় বা বিভাগ।

(ঘ) 'দুৰ্যোগ' মানে দুৰ্ঘটনা, বিপত্তি, বিপৰ্য্যয় নতুবা কোনোবা এটা অঞ্চলত ভয়াবহ কিবা এটা প্ৰাকৃতিকভাবে নতুবা মানৱ সৃষ্ট, দুৰ্ঘটনা, কাৰোবাৰ অসাৱধানতাৰ বাবে ঘটা অঘটন- যাৰ ফলত জীৱন আৰু সা-সম্পত্তিৰ হানি-বিঘিনি নহ'লে প্ৰাকৃতিক পৰিবেশ বিনষ্ট কৰা নতুবা এনেধৰণৰ বিপত্তিৰ ফলত বিপৰ্য্যস্ত হৈ পৰা জনজীৱন যাক নিয়ন্ত্ৰণলৈ অনাটোও অসম্ভৱ।

(ঙ) 'দুৰ্যোগ ব্যৱস্থাপনা' হ'ল পৰিকল্পনা, আয়োজন, সমন্বয়, ব্যৱস্থাৱলী ৰূপায়ণৰ ধাৰাবাহিক আৰু সংহত প্ৰক্ৰিয়া যিবোৰ আৱশ্যক হয়-

(১) বিপদ প্ৰতিৰোধ কৰাৰ বাবে নতুবা কোনোবা দুৰ্যোগৰ আশঙ্কা থকাৰ বাবে।
(২) ক্ষয়-ক্ষতিৰ পৰিমাণ হ্ৰাস কৰণৰ বাবে নতুবা দুৰ্যোগৰ প্ৰতি থকা আশঙ্কা হ্ৰাস কৰা নহ'লে ভয়াবহতাৰ পৰা ৰক্ষা পোৱাৰ বাবে।
(৩) মোকাবিলা কৰাৰ সক্ষমতা বৃদ্ধি কৰাৰ বাবে।
(৪) সাজু হৈ থাকি কোনো দুৰ্যোগৰ স'তে মোকাবিলা কৰা।
(৫) দুৰ্যোগ বা দুৰ্যোগৰ সময়ত তৎকালে সঁহাৰি জনোৱা।
(৬) কোনো এটা দুৰ্যোগৰ ভয়াবহতা বা গভীৰতা নিৰূপণৰ বাবে।
(৭) খালী কৰা, উদ্ধাৰ আৰু সাহাৰ্য্য।
(৮) পুনৰ সংস্থাপণ আৰু পুনৰ নিৰ্মাণ।

(চ) 'জিলা প্ৰাধিকৰণ' মানে হ'ল উপ ধাৰা (১) ৰ ২৫ নম্বৰ শাখা অনুসৰি গঠন কৰা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ।

(ছ) ‘জিলা পৰিকল্পনা’ মানে হ’ল ধাৰা ৩১ অনুসৰি জিলাখনৰ বাবে যুগুতোৱা দুৰ্যোগ ব্যৱস্থাপনা আঁচনি।

(জ) ‘স্থানীয় প্ৰশাসন’ৰ অৰ্ন্তগত হ’ব- পঞ্চায়তীৰাজ অনুষ্ঠান, পৌৰ নিগম, জিলা পৰিষদ, কেণ্টনমেন্ট বোৰ্ড, এনেধৰণৰ নিকায় আদি জিলাখনৰ নিৰ্দিষ্ট এটা অঞ্চলত এই সময়ছোৱাত অত্যাৱশ্যকীয় সেৱা আগবঢ়াবলৈ আইনৰ দ্বাৰা স্বীকৃত আৰু সাধাৰণ নাগৰিক সেৱাৰ দ্বাৰা নিয়ন্ত্ৰিত অনুষ্ঠান/প্ৰতিষ্ঠান।

(ঝ) ‘উপশম’ মানে হ’ল দুৰ্যোগৰ আশংকা, সম্ভাৱনা, দুৰ্যোগৰ সময়ত পৰিব পৰা প্ৰভাৱৰ পৰিমাণ হ্ৰাস কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰা ব্যৱস্থাৱলী।

(ঞ) ‘ৰাষ্ট্ৰীয় প্ৰাধিকৰণ’ মানে হ’ল উপ ধাৰা (১)ৰ শাখা ৩ অনুসৰি গঠন কৰা ৰাষ্টীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ।

(ট) ‘ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক কমিটী’ৰ অৰ্থ হ’ল উপ-শাখা (১)ৰ খণ্ড ৮ অনুসৰি গঠন কৰা ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ কাৰ্য্যনিৰ্বাহক সমিতি।

(ঠ) ‘ৰাষ্ট্ৰীয় পৰিকল্পনা’ মানে হ’ল শাখা ১১ অনুসৰি গোটেই দেশৰ দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে যুগুতোৱা পৰিকল্পনা।

(ড) ‘সাজু হৈ থকা’ মানে হ’ব পৰা দুৰ্যোগৰ ভাবুকি, দুৰ্যোগৰ নতুবা এনেধৰণৰ বিপদৰ স’তে মোকাবিলা কৰিব পৰাকৈ সাজু হৈ থকা।

(ঢ) ‘অনুমোদিত’ মানে হ’ল এই আইনৰ ধাৰা অনুসৰি অনুমোদন থকা।

(ণ) ‘পুনৰ নিৰ্মাণ’ মানে হ’ল কোনো এটা দুৰ্যোগত হোৱা ক্ষতিৰ পুনৰ নিৰ্মাণ কৰা নতুবা স্তব্ধ হৈ পৰা ব্যৱস্থা পুনৰ সক্ৰিয় কৰি তোলা।

(ত) ‘সম্পদ’ৰ ভিতৰত মানৱ শক্তি, সেৱা, সামগ্ৰী আৰু যোগাৰ।

(থ) ‘ৰাজ্যিক প্ৰাধিকৰণ’ মানে হ’ল উপশাখা (১)ৰ শাখা ১৪ অনুসৰি ৰাজ্যত গঠন কৰা ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু কেন্দ্ৰীয় শাষিত অঞ্চলৰ বাবে একেই ধাৰা অনুসৰি গঠন কৰা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ।

(দ) ‘ৰাজ্যিক কাৰ্য্যনিৰ্বাহক কমিটি’ মানে হ’ল- উপশাখা (১)ৰ শাখা ২০ অনুসৰি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে গঠন কৰা সমিতিখন।

(ধ) ‘ৰাজ্য চৰকাৰ’ মানে দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰশাসনিক অধিকাৰ থকা সেই বিভাগটো আৰু কেন্দ্ৰীয় শাষিত অঞ্চলৰ বাবে ৰাষ্ট্ৰপতিয়ে ধাৰা ২৩৯ অনুসৰি নিয়োগ কৰা প্ৰশাসকক বুজোৱা হৈছে।

(ন) ‘ৰাজ্যিক পৰিকল্পনা’ মানে শাখা ২৩ অনুসৰি দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে ৰাজ্যখনৰ বাবে যুগুতোৱা পৰিকল্পনাৰ কথা কোৱা হৈছে।

**অধ্যায়- ২**

**ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ**

৩. (১) যি দিনৰ পৰা কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা নিয়োগ সম্পৰ্কীয় অধিসূচনা ৰাজপত্ৰত প্ৰকাশ কৰিব এই আইন অনুসৰি ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণখন সেই দিনৰ পৰাই জনাজাত হ'ব। **ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ গঠন**

(২) ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণত সভাপতি আৰু কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন মতে আন আন সদস্যও থাকিব; কিন্তু এই সংখ্যা ৯ জনতকৈ অধিক হ'ব নোৱাৰিব। আইনে প্ৰদান কৰা ক্ষমতা অনুসৰি ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণখন এনে ধৰণৰ হ'ব ঃ-

(ক) ভাৰতৰ প্ৰধান মন্ত্ৰী ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ পদেন সভাপতি হ'ব।

(খ) আন সদস্যসকলক ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ সভাপতিয়ে মনোনীত কৰিব আৰু কিন্তু ইয়াৰ সংখ্যা ন জনতকৈ অধিক হ'ব নোৱাৰিব।

(৩) ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ সভাপতিয়ে মনোনীত এজন সদস্যক ধাৰা (খ)ৰ উপ শাখা (২) অনুসৰি ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ উপ সভাপতি হিচাপে দায়িত্ব দিব পাৰিব।

(৪) কাৰ্য্যকাল আৰু সদস্যসকলৰ সেৱাৰ চৰ্ত্তাৱলী ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ অনুমোদিত নিয়ম অনুসৰি হ'ব।

৪. (১ ) ৰাষ্ট্ৰীয় প্ৰাধিকৰণে যেতিয়াই আৱশ্যক অনুভৱ কৰিব তেতিয়াই সভাপতিয়ে বিচৰা স্থান আৰু সময়ত বৈঠকত মিলিত হ'ব। **ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ বৈঠক**

(২) ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ বৈঠকখনত সভাপতিয়ে সভাপতিত্ব কৰিব।

(৩) কোনো কাৰণত ৰাষ্ট্ৰীয় বৈঠকখনত সভাপতিয়ে সভাপতিত্ব কৰিব নোৱাৰিলে উপসভাপতিয়ে বৈঠকখনত সভাপতিত্ব কৰিব।

(৫) ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ বাবে বিষয়া, পৰামৰ্শদাতা আৰু কৰ্মচাৰী কাৰ্য্য পৰিচালনাৰ বাবে থকা আৱশ্যকতা অনুসৰি কেন্দ্ৰীয় চৰকাৰে ব্যৱস্থা কৰি দিব। **ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ বাবে বিষয়া আৰু কৰ্মচাৰী নিয়োগ**

**ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ ক্ষমতা আৰু কাৰ্য্যাৱলী**

৬. (১) এই আইনখনৰ বিধান অনুসৰি সময় উপযোগীভাবে আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰতি সুদক্ষ সহাৰি জনাব পৰাকৈ নীতি, পৰিকল্পনা আৰু নিৰ্দেশনা প্ৰস্তুত কৰাৰ বাবে ৰাষ্ট্ৰীয় প্ৰাধিকৰণ দায়বদ্ধ থাকিব।

(২) সাধাৰণ দিহাসমূহৰ ওপৰত কোনো পক্ষপাতিত্ব নকৰাকৈ উপধাৰা (১) অনুসৰি ৰাষ্ট্ৰীয় প্ৰাধিকৰণে -

(ক) দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত নীতি প্ৰস্তুত কৰিব পাৰিব।

(খ) ৰাষ্ট্ৰীয় পৰিকল্পনাত অনুমোদন দিব পাৰিব।

(গ) ৰাষ্ট্ৰীয় পৰিকল্পনা অনুসৰি সংশ্লিষ্ট মন্ত্ৰণালয় বা বিভাগে যুগুতোৱা পৰিকল্পনাত অনুমোদন দিব পাৰিব।

(ঘ) ৰাজ্যিক পৰিকল্পনা যুগুতোৱাৰ ক্ষেত্ৰত ৰাজ্যই পালন কৰিব লগা নিৰ্দেশনা দিব পাৰিব।

(ঙ) ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰণালয় আৰু বিভাগ সমূহে দুৰ্যোগ ৰোধ কৰাৰ কাৰণে সংহত ব্যৱস্থাৱলী গ্ৰহণ নতুবা দুৰ্যোগৰ প্ৰভাব কমকৈ পৰাৰ ব্যৱস্থাৱলী গ্ৰহণৰ বাবে সেই বিভাগৰ পৰিকল্পনা তথা প্ৰকল্পসমূহত পালন কৰিব লগা নীতিসমূহৰ ওপৰত নিৰ্দেশনা দিব পাৰিব।

(চ) দুৰ্যোগ ব্যৱস্থাপনাৰ নীতি বলৱৎকৰণ আৰু পৰিকল্পনা ৰূপায়ণৰ ক্ষেত্ৰত সমন্বয় ৰক্ষা কৰিব পাৰিব।

(ছ) দুৰ্যোগৰ সময়ত ক্ষয়-ক্ষতি হ্ৰাসকৰণৰ ব্যৱস্থাৱলী গ্ৰহণৰ অৰ্থে যাবতীয় পুঁজি আৱণ্টন দিব পাৰিব।

(জ) কোনো দেশ গুৰুতৰ দুৰ্য্যোগৰ মুখা-মুখি হ'লে কেন্দ্ৰীয় চৰকাৰে বিচাৰিলে এনেধৰণৰ সাহাৰ্য্য আগবঢ়াব পাৰিব।

(ঝ) দুৰ্যোগ ৰোধ কৰা, দুৰ্যোগত হ'ব পৰা ক্ষয়-ক্ষতি হ্ৰাস কৰাৰ বাবে, দুৰ্যোগৰ আশঙ্কা বা দুৰ্যোগৰ স'তে সক্ষমভাবে মোকাবিলা কৰিব পৰাকৈ সাজু হৈ থাকিব পৰাকৈ সক্ষমতা গঢ়াৰ কাৰণে আৱশ্যকীয় ব্যৱস্থাৱলী গ্ৰহণ কৰিব পাৰিব।

(ঞ) ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠান কাৰ্য্যক্ষম বা সচল কৰাৰ বাবে বহল পৰিসৰৰ নীতি আৰু নিৰ্দেশনা গ্ৰহণ কৰিব পাৰিব।

(৩) ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ সভাপতিজনে জৰুৰীকালীন অৱস্থাত আৱশ্যক অনুসৰি সকলোখিনি ক্ষমতা প্ৰয়োগ কৰিব পাৰিব যদিও পদৰ ক্ষমতা অনুসৰি ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ অনুমতি সাপেক্ষেহে এই পদক্ষেপ ল'ব পাৰিব।

**ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ উপদেষ্টা সমিতি গঠন**

৭. (১) ৰাষ্ট্ৰীয় প্ৰাধিকৰণে দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত অভিজ্ঞ, ব্যৱহাৰিক জ্ঞানলব্ধ লোকৰ দ্বাৰা ৰাষ্ট্ৰীয়-ৰাজ্যিক বা জিলা পৰ্যায়ত উপদেষ্টা সমিতি গঠন কৰিব পাৰিব।

(২) ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ সৈতে কেন্দ্ৰীয় চৰকাৰে আলোচনা কৰি উপদেষ্টা সমিতিৰ সদস্য সকলক অনুমোদিত হাৰ অনুসৰি বানচ দিব পাৰিব।

৮. (১) কেন্দ্ৰীয় চৰকাৰে অধিসূচনা জাৰী হোৱাৰ লগে-লগে উপধাৰা (১)ৰ শাখা ৩ অনুসৰি ৰাষ্ট্ৰীয় প্ৰাধিকৰণক সহায় কৰাৰ কাৰণে ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিখন গঠন কৰিব পাৰিব।

**ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ কাৰ্য্যনিৰ্বাহক সমিতি গঠন**

(২) ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিত তলত দিয়া সদস্যসকলৰ নাম থাকিব ঃ-

(ক) ভাৰত চৰকাৰৰ দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰশাসনিক ক্ষমতা থকা বিভাগ বা মন্ত্ৰণালয়ৰ সচিব গৰাকী পদেন সভাপতি হ'ব।
(খ) ভাৰত চৰকাৰৰ প্ৰশাসনিক ক্ষমতা থকা বিভাগ বা মন্ত্ৰণালয়- কৃষি, আণৱিক শক্তি, প্ৰতিৰক্ষা, পানী যোগান, পৰিবেশ আৰু বন, বিত্ত (ব্যয়), স্বাস্থ্য, শক্তি, গ্ৰাম্য উন্নয়ন, বিজ্ঞান আৰু প্ৰযুক্তি, মহাকাশ, দূৰ সংযোগ বিভাগ, চহৰ উন্নয়ন, জল সম্পদ বিভাগৰ সচিব সকল আৰু সংহত প্ৰতিৰক্ষাৰ প্ৰধান কৰ্মচাৰীজন পদেন হিচাপে থাকিব।

(৩) ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিৰ সভাপতিজনে ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰৰ আন বিভাগৰ কৰ্মচাৰীকো সেই বৈঠকত অংশ ল'বলৈ আমন্ত্ৰণ জনোৱাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা সাপেক্ষে উপদেশ মৰ্মে এনেধৰণৰ কাৰ্য্যাৱলী বা ক্ষমতাসমূহ প্ৰয়োগ কৰিব পাৰে।

(৪) কেন্দ্ৰীয় চৰকাৰৰ অনুমোদিত নিয়মাৱলী অনুসৰি কাৰ্যনিৰ্বাহক সমিতিয়ে ইয়াৰ ক্ষমতা তথা কাৰ্য্যাৱলী সম্পাদন কৰিব পাৰিব।

**উপ-সমিতি গঠন**

৯. (১) ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিয়ে যেতিয়াই আৱশ্যক বুলি ভাবিব তেতিয়াই কমিটিখন অধিক কৰ্মক্ষম কৰিবলৈ আন আন উপ-সমিতি গঠন কৰিব পাৰিব।

(২) ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিয়ে সমিতিৰ সদস্যসকলৰ মাজৰ পৰা উপ ধাৰা ১ অনুসৰি উপ-সমিতিৰ সভাপতিজন নিৰ্বাচন কৰিব পাৰিব।

(৩) যিকোনো উপ-সমিতিত অভিজ্ঞ ব্যক্তি হিচাপে ৰখা লোকক কেন্দ্ৰীয় চৰকাৰৰ অনুমোদিত নিয়ম অনুসৰি বানচ দিব পাৰিব।

**ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিৰ ক্ষমতা আৰু কাৰ্য্যাৱলী**

১০. (১) ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিয়ে ৰাষ্ট্ৰীয় প্ৰাধিকৰণক ইয়াৰ কাম-কাজ চলোৱাত সহায় কৰিব লাগিব আৰু এই সমিতিখনে ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ নীতি আৰু পৰিকল্পনা ৰূপায়ণ, দুৰ্যোগ ব্যৱস্থপনাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে জাৰী কৰা নিৰ্দেশনাসমূহৰ ৰূপায়ণ নিশ্চিত কৰাৰ ক্ষেত্ৰত দায়বদ্ধ থাকিব।

(২) সাধাৰণ দিহাসমূহৰ ওপৰত কোনো পক্ষপাতিত্ব নকৰাকৈ উপধাৰা (১) অনুসৰি ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিয়ে -

(ক) দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত সমন্বয় ৰক্ষা তথা নিৰীক্ষণকাৰী হিচাপে কাৰ্য্যনিৰ্বাহ কৰিব লাগিব।

(খ) ৰাষ্ট্ৰীয় প্ৰাধিকৰণে অনুমোদন দিব লগা ৰাষ্ট্ৰীয় পৰিকল্পনাখন যুগুতাব পাৰিব।

(গ) ৰাষ্ট্ৰীয় নীতিৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত সমন্বয় ৰক্ষা আৰু নিৰীক্ষণ কৰিব।
(ঘ) দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে আঁচনি যুগুতাবলৈ বিভিন্ন বিভাগ. মন্ত্ৰণালয় অথবা ৰাজ্য চৰকাৰলৈ নীতি নিৰ্দেশনা জাৰি কৰিব পাৰিব।

(ঙ) ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ নিৰ্দেশনা অনুসৰি ৰাজ্য চৰকাৰ বা ৰাজ্যিক প্ৰাধিকৰণক দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে আঁচনি যুগুতোৱাত যাবতীয় কাৰিকৰী সহায় আগবঢ়াব পাৰিব।

(চ) ৰাষ্ট্ৰীয় পৰিকল্পনাৰ লগতে ভাৰত চৰকাৰৰ বিভিন্ন বিভাগ বা মন্ত্ৰণালয়ে যুগুতোৱা পৰিকল্পনাৰ ৰূপায়ণ সম্পৰ্কে পৰ্য্যালোচনা কৰিব পাৰিব।

(ছ) ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ নিৰ্দেশনা অনুসৰি ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰণালয় আৰু বিভাগ সমূহে দুৰ্যোগ প্ৰশমন আৰু প্ৰতিৰোধৰ কাৰণে গ্ৰহণ কৰিব লগীয়া সংহত ব্যৱস্থাৱলী বা দুৰ্যোগৰ প্ৰভাব হ্ৰাসকৰণৰ ব্যৱস্থাৱলী আদি কাৰ্য্যৰূপায়ণৰ বিষয়ত পৰ্য্যালোচনা চলাব পাৰিব।

(জ) বিভিন্ন মন্ত্ৰণালয় বা বিভাগ সমূহে দুৰ্যোগৰ স'তে মোকাবিলা কৰিব পৰাকৈ সাজু হৈ থকা, দুৰ্যোগত ক্ষয়-ক্ষতি হ্ৰাস কৰাৰ কাৰণে নিৰ্দেশনা অনুসৰি গ্ৰহণ কৰা ব্যৱস্থাৱলী আদি ৰূপায়ণৰ ক্ষেত্ৰত সমন্বয় ৰক্ষা কৰা, পৰ্য্যালোচনা কৰা তথা সেই বিষয়ত নিৰ্দেশনা দিব পাৰিব।

(ঝ) দুৰ্যোগৰ প্ৰতি থকা ভাবুকিৰ পৰিস্থিতি বা দুৰ্যোগৰ সতে মোকাবিলা কৰিব পৰাকৈ, সাজু হৈ থাকি সঠিক সঁহাৰি দিব পৰাকৈ চৰকাৰৰ সকলোবোৰ স্তৰৰ প্ৰস্তুতিৰ ওপৰত মূল্যায়ণ কৰিব পাৰিব। তেনেধৰণৰ পূৰ্ব-প্ৰস্তুতি বৃদ্ধিৰ বাবে আৱশ্যক অনুসাৰে নিৰ্দেশনা জাৰি কৰিব পাৰিব।

(ঞ) বিভিন্ন পৰ্য্যায়ৰ বিষয়া, কৰ্মচাৰী আৰু স্বেছাসেৱক, উদ্ধাৰ অভিযানকাৰী সকলৰ বাবে দুৰ্যোগ ব্যৱস্থাপনা সম্পৰ্কীয় বিভিন্ন পৰ্য্যায়ৰ উন্নত প্ৰশিক্ষণৰ আয়োজন, এনেধৰণৰ পৰিকল্পনা আৰু সমন্বয় সাধনৰ কাম কৰিব পাৰিব।

(ট) দুৰ্যোগৰ ভাবুকি বা দুৰ্যোগৰ সময়ত আগবঢ়াব লগা সঁহাৰি আদিৰ ক্ষেত্ৰত সমন্বয় ৰক্ষা কৰা।

(ঠ) দুৰ্যোগৰ ভাবুকি বা দুৰ্যোগৰ সময়ত ল'ব লগা সাৱধানতা আৰু ব্যৱস্থাৱলীৰ বিষয়ে সংশ্লিষ্ট চৰকাৰী বিভাগ বা মন্ত্ৰণালয়, ৰাজ্য চৰকাৰ তথা ৰাজ্যিক প্ৰাধিকৰণক নিৰ্দেশনা বা দিহা-পৰামৰ্শ আগবঢ়াব।

(ড) দুৰ্যোগৰ সময়ত ৰাষ্ট্ৰীয় বা ৰাজ্যিক প্ৰাধিকৰণৰ আৱশ্যকতা অনুসৰি চৰকাৰী বিভাগ বা সংস্থাৰ জড়িয়তে সেই ধৰণৰ জৰুৰীকালীন সঁহাৰি, উদ্ধাৰ, সাহাৰ্য্য অভিযানৰ বাবে ধন, জন আৰু সম্পদ উপলব্ধ আৰু ব্যৱহাৰ কৰাব পাৰিব।

(ড) দুৰ্যোগ ব্যৱস্থাপনাত জড়িত সংশ্লিষ্ট বিভাগ বা মন্ত্ৰণালয়, ভাৰত চৰকাৰ- ৰাজ্যিক প্ৰাধিকৰণ, নিকায়, বিভিন্ন চৰকাৰ-বে চৰকাৰী সংস্থা, দুৰ্যোগ ব্যৱস্থাপনাত নিয়োজিত সকলোকে সহায় আগবঢ়াব পাৰিব, নিৰ্দেশনা বা দিহা-পৰামৰ্শ দিব পাৰিব আৰু সকলোৰে সতে সমন্বয় ৰক্ষা কৰিব পাৰিব।

(ঢ) ৰাজ্যিক প্ৰাধিকৰণ আৰু জিলা প্ৰাধিকৰণসমূহক এই আইন অনুসৰি কাৰ্য্যব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত কাৰিকৰী সহায় আৰু উপদেশ আদি আগবঢ়াব পাৰিব।

(ণ) দুৰ্যোগ ব্যৱস্থাপনা সম্পৰ্কীয় সাধাৰণ শিক্ষা আৰু সজাগতা বৃদ্ধিত উদগণি দিব পাৰিব।

(ত) ৰাষ্ট্ৰীয় প্ৰাধিকৰণে ৰূপায়িত কৰিব বিচৰা কাম-কাজ আদিও ৰূপায়িত কৰিব পাৰিব।

**ৰাষ্ট্ৰীয় পৰিকল্পনা**

১১. (১) সমগ্ৰ দেশৰ বাবে ‘ৰাষ্ট্ৰীয় পৰিকল্পনা’ বুলি ক’ব পৰাকৈ দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে এখন ‘ৰাষ্ট্ৰীয় পৰিকল্পনা’ যুগুতোৱা হ’ব।

(২) ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিয়ে দেশৰ নীতি অনুসৰি ৰাজ্য চৰকাৰ, বিশেষজ্ঞ অথবা দুৰ্যোগ ব্যৱস্থাপনাৰ স’তে জড়িত সংস্থা আদিৰ লগত আলোচনা কৰি ৰাষ্ট্ৰীয় পৰিকল্পনাখন যুগুতাব আৰু সেইখনত ৰাষ্ট্ৰীয় প্ৰাধিকৰণে অনুমোদন জনাব।

(৩) ৰাষ্ট্ৰীয় পৰিকল্পনাত অন্তৰ্ভূক্ত হ’ব ঃ-

(ক) দুৰ্যোগ প্ৰতিৰোধ কৰাৰ বাবে, দুৰ্যোগৰ সময়ত ক্ষয়-ক্ষতি হ্ৰাস কৰাৰ বাবে গ্ৰহণ কৰিব লগা ব্যৱস্থাৱলী।

(খ) উন্নয়নমূলক আঁচনিসমূহত বিভিন্ন প্ৰতিৰোধমূলক যাবতীয় ব্যৱস্থাৱলী অন্তৰ্ভূক্ত কৰা।

(গ) দুৰ্যোগৰ সময়ত বা দুৰ্যোগৰ পৰা থকা ভাবুকিৰ স’তে মোকাবিলা কৰিবলৈ সাজু হৈ থাকি, সঠিক সময়ত সঁহাৰি দিব পৰাকৈ সক্ষমতা বৃদ্ধি কৰিবলৈ প্ৰস্তুতিমূলক ব্যৱস্থা গ্ৰহণ কৰা।

(ঘ) বিশেষ দফা ক, খ, গ অনুসৰি ভাৰত চৰকাৰৰ বিভিন্ন বিভাগ বা মন্ত্ৰণালয়ে পালন কৰিব লগা দায়িত্ব আৰু দায়বদ্ধতা।

(৪) ৰাষ্ট্ৰীয় পৰিকল্পনাখন বছৰত এবাৰ পৰ্য্যালোচনা কৰি আৱশ্যকীয় সংশোধন-সংযোজন কৰিব।

(৫) ৰাষ্ট্ৰীয় পৰিকল্পনাৰ অধীনত দুৰ্যোগ ব্যৱস্থাপনাৰ ব্যৱস্থাৱলী গ্ৰহণৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিত্ত যোগানৰ ব্যৱস্থা কৰিব।

(৬) উপ ধাৰা ২ আৰু ৪ অনুসৰি ৰাষ্ট্ৰীয় পৰিকল্পনাখন বিভিন্ন মন্ত্ৰণালয় আৰু বিভাগত উপলব্ধ হ’ব লাগিব আৰু সেই বিভাগ বা মন্ত্ৰণালয়ে সেই পৰিকল্পনা অনুসৰি নিজ-নিজ বিভাগত নিজাকৈ পৰিকল্পনা যুগুতাব লাগিব।

**ন্যুনতম মানদণ্ডৰ সাহাৰ্য্য সম্পৰ্কীয় নিৰ্দেশনা**

১২. ৰাষ্ট্ৰীয় প্ৰাধিকৰণে নিৰ্দেশনাখনত অনুমোদন জনাব আৰু নিৰ্দেশনাত দুৰ্যোগত আক্ৰান্ত লোকৰ বাবে নুন্যতম সাধাৰণ মানদণ্ডৰ সাহাৰ্য্যৰ কথা সন্নিবিষ্ট হৈ থাকিব-

(১) সাহাৰ্য্য শিবিৰত আশ্ৰয়ৰ লগতে অত্যাৱশ্যকীয় বুলি পৰিগণিত খাদ্য, খোৱাৰ বাবে বিশুদ্ধ পানী, চিকিৎসা সাহাৰ্য্য আৰু অনাময় ব্যৱস্থা।
(২) বিধৱা আৰু অনাথ শিশুৰ বাবে বিশেষ সুবিধা।
(৩) জীৱন আৰু ঘৰ আদি সম্পত্তি হানি হ'লে এককালীণ সাহাৰ্য্য আৰু জীৱন যাপন পুনৰ বাহাল ৰাখিব পৰাকৈ সকলো ব্যৱস্থাৱলীৰ পুনৰ সংযোজনৰ ব্যৱস্থা।
(৪) আৱশ্যকীয় এনেধৰণৰ অন্যান্য সাহাৰ্য্য।

**পৰিশোধ কৰিব লগা ঋণৰ বাবদ সাহাৰ্য্য ইত্যাদি**

১৩. ৰাষ্ট্ৰীয় প্ৰাধিকৰণে গুৰুতৰ ধৰণৰ দুৰ্যোগ হ'লে ওভতাই দিব লগীয়া ঋণ হিচাপেও সাহাৰ্য্য আগ বঢ়াব পাৰে নতুবা আক্ৰান্ত লোকলৈ ৰেহাই হাৰত উপযুক্ত বুলি বিৱেচনা কৰিলে সাহাৰ্য্য আগ বঢ়াব পাৰে।

## অধ্যায়- ৩
## ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ

**ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ গঠন**

১৪. (১) প্ৰতিখন ৰাজ্যতে দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে ৰাজ্য চৰকাৰে অধিসূচনা জাৰি হোৱাৰ পাছত উপ ধাৰা (১) ৰ শাখা ৩ অনুসৰি তৎকালে চৰকাৰী ৰাজপত্ৰত ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ গঠনৰ বাবে অধিসূচনা জাৰি কৰিব পাৰিব।

(২) ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণত সভাপতি আৰু ৰাজ্য চৰকাৰৰ অনুমোদন মতে আন আন সদস্যও থাকিব; কিন্তু এই সংখ্যা ৯ জনতকৈ অধিক হ'ব নোৱাৰিব। আইনে প্ৰদান কৰা ক্ষমতা অনুসৰি
ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণখন এনে ধৰণৰ হ'ব ঃ-

(ক) ৰাজ্যৰ মুখ্য মন্ত্ৰী ৰাজ্যিক প্ৰাধিকৰণৰ পদেন সভাপতি হ'ব।
(খ) আন সদস্যসকলক ৰাজ্যিক প্ৰাধিকৰণৰ সভাপতিয়ে মনোনীত কৰিব কিন্তু এনে সদস্যৰ সংখ্যা আঠ জনতকৈ অধিক হ'ব নোৱাৰিব।
(গ) ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ সভাপতিজন পদেন হ'ব।

(৩) ৰাজ্যিক প্ৰাধিকৰণৰ সভাপতিয়ে মনোনীত কৰা সসস্যসকলৰ মাজৰ এজন সদস্যক ধাৰা (খ)ৰ উপ শাখা(২) অনুসৰি ৰাজ্যিক প্ৰাধিকৰণৰ উপ সভাপতি হিচাপে দায়িত্ব দিব পাৰিব।

(৪) ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ সভাপতিজন ৰাজ্যিক প্ৰাধিকৰণতপদেন হিচাপে মুখ্য কাৰ্য্যবাহী বিষয়া হ'ব।

ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীজন ৰাজ্যিক প্ৰাধিকৰণৰ সভাপতি আৰু দিল্লীৰ বাহিৰে বিধান সভা থকা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত লেফটেনেণ্ট গভৰ্ণৰ বা প্ৰশাসকজন ৰাজ্যিক প্ৰাধিকৰণৰ সভাপতি হ'ব।

কেন্দ্ৰীয় শাসিত অঞ্চল দিল্লীত লেফটেনেণ্ট গভৰ্ণৰ ৰাজ্যিক প্ৰাধিকৰণৰ সভাপতি আৰু মুখ্যমন্ত্ৰী উপসভাপতি হ'ব।

(৫) কাৰ্য্যকাল আৰু সদস্যসকলৰ সেৱাৰ চৰ্ত্তাৱলী ৰাজ্যিক প্ৰাধিকৰণৰ অনুমোদিত নিয়ম অনুসৰি হ'ব।

**ৰাজ্যিক প্ৰাধিকৰণৰ বৈঠক**

১৫. (১) ৰাজ্যিক প্ৰাধিকৰণে প্ৰয়োজন সাপেক্ষে সভাপতিয়ে উপযুক্ত বুলি বিবেচনা কৰা স্থান আৰু সময়ত বৈঠকত মিলিত হ'ব।
(২) ৰাজ্যিক প্ৰাধিকৰণৰ বৈঠকখনত সভাপতিয়ে সভাপতিত্ব কৰিব।
(৩) কিবা কাৰণত ৰাজ্যিক বৈঠকত প্ৰাধিকৰণৰ সভাপতিয়ে সভাপতিত্ব কৰিব নোৱাৰিলে উপসভাপতিয়ে বৈঠকত সভাপতিত্ব কৰিব।

**ৰাজ্যিক প্ৰাধিকৰণৰ বাবে বিষয়া আৰু কৰ্মচাৰী নিয়োগ**

১৬. ৰাজ্যিক প্ৰাধিকৰণৰ কাৰ্য্য পৰিচালনাৰ বাবে আৱশ্যক হোৱা বিষয়া, পৰামৰ্শদাতা আৰু কৰ্মচাৰী আৱশ্যক অনুসৰি ৰাজ্য চৰকাৰে ব্যৱস্থা কৰি দিব।

**উপদেষ্টা সমিতি গঠন**

১৭. (১) ৰাজ্যিক প্ৰাধিকৰণে আৱশ্যক অনুভৱ কৰিলে দুৰ্যোগ ব্যৱস্থাপনাৰ ওপৰত অভিজ্ঞ ব্যক্তি আৰু এই ক্ষেত্ৰত ব্যৱহাৰিক অভিজ্ঞতালব্ধ লোকৰ দ্বাৰা ৰাজ্যিক উপদেষ্টা সমিতিখন গঠন কৰিব পাৰিব।

(২) উপদেষ্টা সমিতিৰ প্ৰতিজন সদস্যকে ৰাজ্য চৰকাৰৰ অনুমোদন অনুসৰি বানচ দিব লাগিব।

**ৰাজ্যিক প্ৰাধিকৰণৰ ক্ষমতা আৰু কাৰ্য্যাৱলী**

১৮. (১) এই আইনৰ ধাৰা অনুসৰি ৰাজ্যিক প্ৰাধিকৰণ ৰাজ্যত দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে নীতি আৰু পৰিকল্পনা যুগুতোৱাৰ ক্ষেত্ৰত দায়বদ্ধ থাকিব।

(২) সাধাৰণ দিহাসমূহৰ ওপৰত কোনো পক্ষপাতিত্ব নকৰাকৈ উপধাৰা (১) অনুসৰি ৰাজ্যিক প্ৰাধিকৰণে তলত উল্লেখ কৰা কাৰ্য্যসমূহ ৰূপায়িত কৰিব পাৰিবঃ-

(ক) ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা নীতি যুগুতাব।

(খ) ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ নিৰ্দেশনা অনুসৰি ৰাজ্যিকপৰিকল্পনাখনত অনুমোদন দিব পাৰিব।

(গ) দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে ৰাজ্যৰ বিভিন্ন বিভাগে যুগুতোৱা পৰিকল্পনাত অনুমোদন দিব পাৰিব।

(ঘ) দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে আঁচনি যুগুতাবলৈ বিভিন্ন বিভাগলৈ নীতি নিৰ্দেশনা জাৰি কৰিব পাৰিব। চৰকাৰৰ বিভিন্ন বিভাগে দুৰ্যোগ ৰোধ কৰাৰ কাৰণে গ্ৰহণ কৰিব লগা সংহত ব্যৱস্থাৱলী বা দুৰ্যোগৰ প্ৰভাৱ কমকৈ পৰাৰ ব্যৱস্থাৱলীৰ আঁচনি যুগুতোৱা বিষয়ত কাৰিকৰী সহায়আগবঢ়াব পাৰিব।

(ঙ) ৰাজ্যিক পৰিকল্পনাৰ আঁচনিৰ কাৰ্য্যৰূপায়ণত সমন্বয় ৰক্ষা কৰিব পাৰিব।

(চ) দুৰ্যোগত ক্ষয়-ক্ষতি হ্ৰাস কৰা আৰু দুৰ্যোগৰ স'তে মুখা-মুখি হওঁতে সঠিক ভাবে মোকাবিলা কৰিব পৰাকৈ সাজু হৈ থাকিব পৰাকৈ আৱশ্যক হোৱা পুঁজিৰ অনুমোদন দিব পাৰিব।

(ছ) ৰাজ্যিক পৰিকল্পনাৰ লগতে ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগে যুগুতোৱা পৰিকল্পনাৰ ৰূপায়ণ সম্পৰ্কে পৰ্য্যালোচনা কৰিব পাৰিব আৰু ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ নিৰ্দেশনা অনুসৰি চৰকাৰৰ বিভিন্ন বিভাগ সমূহে দুৰ্যোগ ৰোধ কৰাৰ কাৰণে গ্ৰহণ কৰিব লগা সংহত ব্যৱস্থাৱলী বা দুৰ্যোগৰ প্ৰভাৱ হ্ৰাসকৰণৰ ব্যৱস্থাৱলীৰ কাৰ্য্যৰূপায়ণৰ বিষয়ত পৰ্য্যালোচনা চলাব পাৰিব।

(জ) বিভিন্ন বিভাগ সমূহে দুৰ্যোগৰ স'তে মোকাবিলা কৰিব পৰাকৈ সাজু হৈ থকা, দুৰ্যোগত ক্ষয়-ক্ষতি হ্ৰাস কৰাৰ কাৰণে নিৰ্দেশনা অনুসৰি গ্ৰহণ কৰা ব্যৱস্থাৱলী আদি ৰূপায়ণৰ পৰ্য্যালোচনা কৰা তথা সেই বিষয়ত যাবতীয় নিৰ্দেশনা দিব পাৰিব।

(৩) ৰাজ্যিক প্ৰাধিকৰণৰ সভাপতিজনে জৰুৰীকালীন অৱস্থাত প্ৰয়োজন অনুসৰি সকলোখিনি ক্ষমতা প্ৰয়োগ কৰিব পৰাৰ ক্ষমতা থাকিব যদিও পদৰ ক্ষমতা অনুসৰি ৰাজ্যিক প্ৰাধিকৰণৰ অনুমতি সাপেক্ষেহে এই পদক্ষেপ ল'ব পাৰিব।

**সাহাৰ্য্য প্ৰদানত পালন কৰিব লগা ন্যুনতম মানদণ্ডৰ বিষয়ে ৰাজ্যিক প্ৰাধিকৰণৰ নিৰ্দেশনা**

১৯. ৰাজ্যিক প্ৰাধিকৰণে ৰাজ্যত দুৰ্যোগত আক্ৰান্ত লোকৰ মাজত উপযুক্ত মানদণ্ড ৰক্ষা কৰি সাহাৰ্য্য প্ৰদান কৰাৰ বাবে যাবতীয় নিৰ্দেশনা জাৰী কৰিব পাৰিব।

কিন্তু কোনো ক্ষেত্ৰতে সেই মানদণ্ড ৰাষ্ট্ৰীয় প্ৰাধিকৰণে নিৰ্দেশনাত নিৰ্দ্ধাৰণ কৰি দিয়া মানদণ্ডতকৈ নিম্ন মানৰ হ'ব নোৱাৰিব।

**ৰাজ্যিক প্ৰাধিকৰণৰ কাৰ্য্যনিৰ্বাহক সমিতি গঠন**

২০. (১) ৰাজ্য চৰকাৰে অধিসূচনা জাৰী হোৱাৰ লগে-লগে উপধাৰা (১)ৰ শাখা ১৪ৰ অধীনত ৰাজ্যিক প্ৰাধিকৰণক সহায় কৰা আৰু ৰাজ্যখনত এই নিৰ্দেশনা অনুসৰি ৰাজ্যত নিৰ্দেশনা ৰূপায়ন আৰু ৰূপায়নত সমন্বয় ৰক্ষা কৰাৰ কাৰণে ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিখন গঠন কৰিব পাৰিব।

(২) ৰাজ্যিক কাৰ্য্যনিৰ্বাহকত তলত দিয়া সদস্যসকলৰ নাম থাকিব ঃ-

(ক) ৰাজ্যৰ মুখ্য সচিব গৰাকী পদেন হিচাপে সভাপতি হ'ব।

(খ) ৰাজ্য চৰকাৰে আৱশ্যকীয় বুলি ভবা চাৰিটা বিভাগৰ চাৰিজন সচিব পদেন সদস্য হ'ব।

(৩) ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ সভাপতিজনে ৰাজ্য চৰকাৰৰ নীতি নিয়ম অনুসৰি কাৰ্য্য নিৰ্বাহ আৰু ক্ষমতাৰ প্ৰয়োগ কৰিব পাৰিব। ইয়াৰ উপৰিও ৰাজ্যিক প্ৰাধিকৰণে ন্যস্ত কৰা অন্যান্য কাৰ্য্যনিৰ্বাহ তথা ক্ষমতা প্ৰয়োগ কৰিব পাৰিব।

(৪) ৰাজ্য চৰকাৰৰ অনুমোদিত নিয়মাৱলী অনুসৰি ৰাজ্যিক কাৰ্যনিৰ্বাহক সমিতিয়ে ইয়াৰ ক্ষমতা তথা কাৰ্য্যাৱলী সম্পাদন কৰিব লাগিব।

২১. (১) ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিয়ে যেতিয়াই আৱশ্যক অনুভৱ কৰিব তেতিয়াই ইয়াৰ কাৰ্য্যাৱলী আৰু অধিক কাৰ্য্যক্ষম কৰি তোলাৰ বাবে আৰু এখন উপ সমিতি গঠন কৰিব পাৰিব।

(২) ৰাজ্যিক কাৰ্য্য নিৰ্বাহক সমিতিৰ সদস্যসকলৰ মাজৰ পৰা উপ ধাৰা (১) অনুসৰি উপ সমিতিৰ সভাপতিজন নিৰ্বাচিত কৰিব পাৰিব।

(৩) এই উপ সমিতিৰ সৈতে বিশেষজ্ঞ হিচাপে জড়িত থকা প্ৰতিজন ব্যক্তিয়েই ৰাজ্য চৰকাৰৰ অনুমোদিত হাৰত বানচ আদি পাব।

**ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ কাৰ্য্যাৱলী**

২২. (১) ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিখন ৰাষ্ট্ৰীয় পৰিকল্পনাৰ লগতে ৰাজ্যিক পৰিকল্পনাখন ৰাজ্যত ৰূপায়ন কৰা তথা ৰাজ্যখনৰ দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত কৰণীয় সমূহ কৰ্মৰ সমন্বয় ৰক্ষা আৰু ৰূপায়িত আঁচনিসমূহৰ মূল্যায়নৰ বাবে দায়বদ্ধ থাকিব।

(২) সাধাৰণ দিহাসমূহৰ ওপৰত কোনো পক্ষপাতিত্ব নকৰাকৈ উপধাৰা (১) অনুসৰি ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিয়ে -

(ক) সমন্বয় ৰক্ষা তথা ৰাষ্ট্ৰীয় নীতি-ৰাষ্ট্ৰীয় পৰিকল্পনা আৰু ৰাজ্যিক পৰিকল্পনা ৰূপায়নত দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত নিৰীক্ষণকাৰী হিচাপে কাৰ্য্যনিৰ্বাহ কৰিব পাৰিব।

(খ) ৰাজ্যৰ বিভিন্ন অংশত বিভিন্ন দুৰ্যোগৰ পৰা হ'ব পৰা ভয়াবহতা তথা ক্ষয়-ক্ষতিবোৰ ভালদৰে পৰীক্ষা কৰি সাৱধানতা আৰু ক্ষয়-ক্ষতি হ্ৰাস কৰণৰ বিহীত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

(গ) দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে আঁচনি যুগুতাবলৈ ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগ তথা জিলা প্ৰাধিকৰণসমূহলৈ নীতি নিৰ্দেশনা জাৰি কৰিব পাৰিব।

(ঘ) দুৰ্যোগ ব্যৱস্থাপনাৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত ৰাজ্যৰ বিভাগ আৰু জিলাসমূহে যুগুতোৱা আঁচনি নিৰীক্ষণ কৰিব।

(ঙ) দুৰ্যোগত ক্ষয়-ক্ষতি হ্ৰাস কৰাৰ বাবে ৰাজ্যিক প্ৰাধিকৰণে জাৰী কৰা নিৰ্দেশনা অনুসৰি বিভিন্ন বিভাগে তেখেতসকলৰ বিভাগীয় উন্নয়নমূলক আঁচনি আৰু প্ৰকল্পসমূহত দুৰ্যোগ প্ৰতিৰোধ আৰু প্ৰশমনমূলক ব্যৱস্থাৱলীৰ অৰ্ন্তভুক্তী পৰ্য্যালোচনা কৰিব।

(চ) দুৰ্যোগৰ ভাবুকি বা দুৰ্যোগৰ সতে মোকাবিলা কৰিব পৰাকৈ, চৰকাৰী বা বেচৰকাৰী সকলো স্তৰৰে পূৰ্ব প্ৰস্তুতি ওপৰত মূল্যায়ণ কৰিব পাৰিব তথা তেনেধৰণৰ সজাগতাৰ ওপৰত আৱশ্যক অনুসাৰে নিৰ্দেশনা জাৰি কৰিব ।

(ছ) দুৰ্যোগৰ ভাবুকি বা দুৰ্যোগৰ পৰিস্থিতিত আগবঢ়াব লগা সঁহাৰি আদিৰ ক্ষেত্ৰত সমন্বয় ৰক্ষা কৰিব।

(জ) দুৰ্যোগৰ ভাবুকি বা দুৰ্যোগৰ পৰিস্থিতিত ৰাজ্য চৰকাৰৰ কোনো বিভাগ বা কোনো সংস্থা নতুবা নিকায় আদিক সাহাৰ্য্যমূলক বা সঁহাৰিমূলক ব্যৱস্থাৱলী সম্পৰ্কেও নিৰ্দেশ দিব পাৰিব।

(ঝ) ৰাজ্যখনৰ বিভিন্ন অঞ্চলৰ দুৰ্যোগ প্ৰৱণতা তথা তাৰ পৰিপ্ৰেক্ষিতত এনে অঞ্চলৰ বিভিন্ন সম্প্ৰদায়ে ল'বলগীয়া দুৰ্যোগ প্ৰতিৰোধ, প্ৰশমন আৰু সঁহাৰিমূলক ব্যৱস্থাৱলী সম্পৰ্কে সাধাৰণ শিক্ষা, সজাগতা তথা সামূহিক প্ৰশিক্ষণ কাৰ্য্যাৱলীত উদ্‌গণি দিব পাৰিব।

(ঞ) দুৰ্যোগ ব্যৱস্থাপনাৰ স'তে জড়িত ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগ, জিলা প্ৰাধিকৰণ, চৰকাৰী-অনা চৰকাৰী সংস্থাবোৰৰ প্ৰতি দিহা পৰামৰ্শ, সহায় আগবঢ়োৱাৰ লগতে সকলোৰে স'তে সমন্বয় ৰক্ষা কৰিব লাগিব।

(ট) ৰাজ্য প্ৰাধিকৰণ আৰু জিলা প্ৰাধিকৰণসমূহে সুচাৰুৰূপে কাম কৰিব পৰাকৈ উপদেশ দিয়াৰ লগতে কাৰ্য্যব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত কাৰিকৰী সহায় আগবঢ়াব পাৰিব।

(ঠ) ৰাজ্য চৰকাৰক দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে আৱশ্যকীয় পুঁজিৰ ক্ষেত্ৰত পৰামৰ্শ দিব পাৰিব।

(ঢ) ৰাজ্য বা তাৰ কোনো এটা অঞ্চলৰ কোনো গাঠনি পৰীক্ষা কৰিব পাৰিব আৰু যাবতীয় নিৰ্দেশনা অনুসৰি সেই গাঁঠনিত দুৰ্যোগ প্ৰতিহত কৰিব পৰাকৈ উপযুক্ত গুণগত মানদণ্ড ৰক্ষা কৰা হোৱা নাই বুলি ভাবিলে সেই মানদণ্ড নিশ্চিত কৰিবলৈ প্ৰশাসনক নিৰ্দেশ দিব পাৰিব।

(ণ) ৰাষ্ট্ৰীয় প্ৰাধিকৰণক দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত যাৱতীয় তথ্য আদিৰ যোগান ধৰিব।

(ত) ৰাজ্যিক পৰ্য্যায়ৰ সঁহাৰিমূলক পৰিকল্পনা-নিৰ্দেশনা যুগুতোৱা, পৰ্য্যালোচনা কৰা আৰু আৱশ্যক অনুসৰি তাক সদায় সময় সাপেক্ষে সংশোধন কৰা তথা জিলা পৰ্য্যায়তো যাতে এই কামখিনি সুকলমে হৈ থাকে সেইটো নিশ্চিত কৰিব লাগিব।

(থ) যোগাযোগ ব্যৱস্থা যাতে সকলো সময়তে সচল হৈ থাকে আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ ওপৰত আৱশ্যকীয় ভুৱা অনুশীলনসমূহ সময়ে-সময়ে অনুষ্ঠিত হৈ থাকে সেইটো সুনিশ্চিত কৰিব লাগিব।

(ন) ৰাজ্যিক প্ৰাধিকৰণে ন্যস্ত কৰা দায়িত্ব বা আৱশ্যক অনুভৱ কৰা কামসমূহ ৰূপায়িত কৰিব লাগিব।

**ৰাজ্যিক পৰিকল্পনা**

২৩. (১) প্ৰতিখন ৰাজ্যতে দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে এখন আঁচনি থাকিব আৰু ইয়াক ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা আঁচনি বুলি কোৱা হ'ব।

(২) ৰাজ্যত দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে এই পৰিকল্পনাখন ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিয়ে ৰাষ্ট্ৰীয় নিৰ্দেশনা অনুসৰি যুগুতাব আৰু ইয়াৰ বাবে স্থানীয় প্ৰশাসন, জিলা প্ৰশাসন, সংস্থা, নিকায় বা জন প্ৰতিনিধিৰ আদিৰ স'তে ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিয়ে আৱশ্যক অনুসৰি আলোচনা কৰি ল'ব পাৰিব।

(৩) দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিয়ে উপ ধাৰা(২) অনুসৰি যুগুতোৱা এই পৰিকল্পনাখনত ৰাজ্যিক প্ৰাধিকৰণে অনুমোদন জনাব।

(৪) দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে যুগুতোৱা এই পৰিকল্পনাখনত অৰ্ন্তভূক্ত হ'ব ঃ

(ক) ৰাজ্যৰ বিভিন্ন ঠাইত থাকিব পৰা বিভিন্ন ধৰণৰ দুৰ্যোগৰ ভয়াবহ ভাবুকি বা আশঙ্কাসমূহ ।

(খ) দুৰ্যোগ ৰোধ কৰাৰ বাবে, দুৰ্যোগৰ সময়ত ক্ষয়-ক্ষতি হ্ৰাস কৰাৰ বাবে গ্ৰহণ কৰিব লগা ব্যৱস্থাৱলী।

(গ) পৰিকল্পনা আৰু প্ৰকল্পসমূহত সংহতভাবে এনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব যাতে দুৰ্যোগৰ সময়ত ইয়াৰ দ্বাৰা ক্ষয়-ক্ষতিৰ পৰিমাণ হ্ৰাস কৰিব পাৰি।

(ঘ) দুৰ্যোগৰ সময়ত বা দুৰ্যোগৰ পৰা থকা ভাবুকিৰ স'তে মোকাবিলা কৰিবলৈ সাজু হৈ থাকি, সঠিক সময়ত সঁহাৰি দিব পৰাকৈ সক্ষমতা বৃদ্ধি কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা।

(ঙ) দুৰ্যোগৰ সময়ত ৰাজ্যৰ প্ৰতিটো বিভাগে ওপৰত উল্লেখ কৰা ধাৰা (খ), (গ) আৰু (ঘ) অনুসৰি পালন কৰিব লগা দায়িত্ব আৰু দায়বদ্ধতা।

(চ) ৰাজ্যৰ বিভিন্ন বিভাগে দুৰ্যোগৰ সময়ত বা দুৰ্যোগৰ আশংকা থকাৰ সময়ত আগবঢ়াব লগা সাহাৰ্য্যমূলক সঁহাৰিৰ ক্ষেত্ৰত পালন কৰিব লগা দায়িত্ব আৰু দায়বদ্ধতা।

(৫) ৰাজ্যত দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে থকা আঁচনিখন বছৰত এবাৰ পৰ্য্যালোচনা কৰিব লাগিব আৰু সকলোবোৰ চালি জাৰি চাই সময়ৰ স'তে সদায় খাপ খুৱাই থ'ব লাগিব।

(৬) আঁচনিখনত দুৰ্যোগ ব্যৱস্থাপনাৰ যাবতীয় ব্যৱস্থাৱলী গ্ৰহণৰ বাবে আৱশ্যকীয় পুঁজি যোগানৰ ব্যৱস্থা ৰাজ্য চৰকাৰে ৰাখিব লাগিব।

(৭) উপ ধাৰা ২ আৰু ৫ অনুসৰি ৰাজ্যিক পৰিকল্পনাখন বিভিন্ন বিভাগত উপলব্ধ হ'ব লাগিব আৰু সেই বিভাগসমূহে সেই পৰিকল্পনা অনুসৰি নিজ-নিজ বিভাগত নিজাকৈ পৰিকল্পনা যুগুতাব লাগিব।

**দুৰ্যোগৰ সময়ত ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ ক্ষমতা আৰু কাৰ্য্যাৱলী**

(২৪) দুৰ্যোগত আক্ৰান্ত এই লোকসকলক সহায় আৰু সুৰক্ষা দিয়াৰ উদ্দেশ্যে সাহাৰ্য্য প্ৰদান কৰা কাৰ্য্যত নতুবা এনে কাৰ্য্যত বাধা প্ৰদান কৰা বা ব্যাঘাত ঘটোৱা নতুবা দুৰ্যোগৰ স'তে মোকাবিলা কৰোতে ৰাজ্যিক কাৰ্য্য নিৰ্বাহক সমিতিয়ে পোৱা অসুবিধাৰ ক্ষেত্ৰত এই সমিতিয়ে -

(ক) দুৰ্যোগত আক্ৰান্ত অঞ্চলত বা আশংকা থকা অঞ্চলত যান-বাহনৰ চলাচল নিয়ন্ত্ৰিত বা বন্ধ ৰখাৰ নিৰ্দেশ দিব পাৰিব।

(খ) দুৰ্যোগত আক্ৰান্ত অঞ্চলত বা আশংকা থকা এনে অঞ্চলত মানুহৰ চলাচল বন্ধ ৰখাৰ নিৰ্দেশ দিব পাৰিব।

(গ) ধ্বংসস্তুপ আঁতৰাব, সন্ধান আৰু উদ্ধাৰ অভিযান চলাব পাৰিব।

(ঘ) ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে অনুমোদন দিয়া নিৰ্দ্ধাৰিত মানদণ্ড অনুসৰি আশ্ৰয়, খাদ্য, খোৱা পানী, অত্যাৱশ্যকীয় সেৱাসমূহ উপলব্ধ কৰোৱাৰ লগতে স্বাস্থ্য সেৱাৰ ব্যৱস্থা কৰাব।

(ঙ) ৰাজ্য চৰকাৰৰ বিভাগ সমূহক নিৰ্দেশ দিয়া, কোনো জিলাৰ জিলা প্ৰশাসনক বা ৰাজ্য চৰকাৰৰ পৰিধিৰ ভিতৰত থকা সকলোকে উদ্ধাৰ আৰু সাহাৰ্য্য অভিযান চলাবলৈ, তৎকালে সেই ঠাই খালী কৰোৱা, জীৱন আৰু সম্পত্তি ৰক্ষা তথা আৱশ্যক অনুসৰি সাহাৰ্য্য প্ৰদানৰ ব্যৱস্থা কৰাৰ বাবে আদেশ আদি দিব পাৰিব।

(চ) উদ্ধাৰ-সঁহাৰি-সাহাৰ্য্য অভিযানৰ বাবে আৱশ্যক হোৱা ৰাজ্য চৰকাৰৰ কোনো বিভাগ বা নিকায় বা জৰুৰী সাহাৰ্য্য প্ৰদানৰ ক্ষেত্ৰত সম্পদ থকা বিভাগৰ ভাৰপ্ৰাপ্ত বিষয়া বা কৰ্মচাৰী আদিক কামত লগাব পাৰিব।

(ছ) দুৰ্যোগৰ ক্ষেত্ৰত উপদেশ দিবলৈ, উদ্ধাৰ আৰু সাহাৰ্য্য অভিযানত সহায়ক হ'ব পৰাকৈ অভিজ্ঞতা থকা বিশেষজ্ঞ নতুবা উপদেষ্টাৰ সেৱা গ্ৰহণ কৰিব পাৰিব।

(জ) আৱশ্যক অনুভৱ কৰিলেই কোনো ব্যক্তি বা প্ৰশাসনে উপলব্ধ কৰি থোৱা কোনো সুবিধা পুৰামাত্ৰাই নতুবা অগ্ৰাধিকাৰ ভিত্তিত ব্যৱহাৰ কৰিব পাৰিব।

(ঝ) অস্থায়ী দলং নতুবা আৱশ্যকীয় নিৰ্মাণ কাৰ্য্য কৰিব পাৰিব। জনসাধাৰণৰ জীৱনৰ বাবে শঙ্কা থকা কোনো ধৰণৰ সম্পদ বা গঠন আদি ধ্বংস বা উচ্ছেদ কৰিব পাৰিব।

(ঞ) অনা-চৰকাৰী সংস্থা বা সংগঠনবোৰে যাতে কোনো পক্ষপাতিত্ব নোহোৱাকৈ তেওঁলোকৰ সেৱাসমূহ আগবঢ়ায় সেইটো সুনিশ্চিত কৰিব লাগিব।

(ট) কোনো দুৰ্যোগ বা দুৰ্যোগৰ আশঙ্কাৰ স'তে মোকাবিলা কৰাৰ সবিশেষ জনসাধাৰণৰ মাজত প্ৰচাৰ কৰি অৱগত কৰিব লাগিব।

(ঠ) কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ জাৰী কৰা আদেশ বা এনেধৰণৰ ভাবুকিৰ প্ৰতি ল'ব লগা সতৰ্কতামূলক ব্যৱস্থাৱলী গ্ৰহণৰ বাবে নিৰ্দেশনা দিব পাৰিব।

## অধ্যায়- ৪

## জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ

**জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ গঠন** ২৫. (১) উপ ধাৰা (১)ৰ অনুচ্ছেদ ১৪ অনুসৰি ৰাজ্যৰ প্ৰতিখন জিলাৰ নাম সুকীয়াকৈ চৰকাৰী ৰাজপত্ৰৰ অধিসূচনাত উল্লেখ কৰি জিলাসমূহৰ বিপৰীতে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণসমূহ গঠন কৰিব পাৰিব।

২. প্ৰতিখন জিলা প্ৰাধিকৰণ এজন সভাপতি আৰু আন সদস্যৰ দ্বাৰা গঠিত হ'ব। সদস্যসকলৰ নাম ৰাজ্য চৰকাৰে মনোনীত কৰিব আৰু এনে সদস্যৰ সংখ্যা ৭ জনতকৈ অধিক হ'ব নোৱাৰিব। সদস্যসকলক মনোনীত কৰাৰ চৰ্ত্ত বা নিয়মাৱলী এনেধৰণৰ হ'বঃ

(ক) জিলা দণ্ডাধীশ বা উপায়ুক্তজন পদেন সভাপতি হ'ব।
(খ) স্থানীয় প্ৰশাসনৰ নিৰ্বাচিত প্ৰতিনিধিজন পদেন উপ সভাপতি হ'ব।
সংবিধানৰ ষষ্ঠ অনুসূচীত উল্লেখ কৰা অনুসৰি জনজাতীয় অঞ্চলৰ স্বায়ত্ব শাসিত জিলাৰ মুখ্য কাৰ্য্যবাহী সদস্যজন পদেন উপ সভাপতি হ'ব।
(গ) জিলা প্ৰশাসনৰ মুখ্য কাৰ্য্যবাহী বিষয়াজন পদেন সদস্য হ'ব;
(ঘ) পুলিচ অধীক্ষক পদেন সদস্য হ'ব;
(ঙ) মুখ্য স্বাস্থ্য বিষয়া পদেন সদস্য হ'ব;
(চ) ৰাজ্য চৰকাৰে মনোনীত কৰা বিষয়া জিলা প্ৰাধিকৰণৰ সদস্য হ'ব পাৰিব আৰু এনে সদস্যৰ সংখ্যা দুজনতকৈ অধিক হ'ব নোৱাৰিব।

৩. জিলা পৰিষদ থকা জিলাসমূহত পৰিষদৰ সভাপতিজন প্ৰাধিকৰণৰ উপ সভাপতি হ'ব।

৪. জিলাখনত ৰাজ্য চৰকাৰে অতিৰিক্ত উপায়ুক্ত বা অতিৰিক্ত জিলা দণ্ডাধীশৰ তলৰ পৰ্য্যায়ৰ বিষয়াক- ৰাজ্য চৰকাৰে প্ৰদান কৰা ক্ষমতা তথা কাৰ্য্য পৰিচালনাৰ দায়িত্ব তথা আন আন ক্ষমতা-কাৰ্য্যাৱলী ৰূপায়ণৰ বাবে জিলাখনৰ মুখ্য কাৰ্য্যবাহী বিষয়া হিচাপে নিয়োগ কৰিব নোৱাৰিব।

**জিলা প্ৰাধিকৰণৰ সভাপতিৰ ক্ষমতা** ২৬.(১) জিলা প্ৰাধিকৰণৰ সভাপতিজনে প্ৰাধিকৰণৰ বৈঠকত সভাপতিত্ব কৰাৰ উপৰিও জিলা প্ৰাধিকৰণে প্ৰদান কৰা ক্ষমতা আৰু কাৰ্য্য ৰূপায়ণৰ দায়িত্ব পালন কৰিব।

(২) জিলা প্ৰাধিকৰণৰ সভাপতিজনে জৰুৰী আৱশ্যকতাত তেখেতৰ পদৰ প্ৰাপ্ত ক্ষমতাৰ সকলোখিনি ক্ষমতা প্ৰয়োগ কৰিব পৰাৰ ক্ষমতা থাকিব যদিও জিলা প্ৰাধিকৰণৰ অনুমতি সাপেক্ষেহে এইখিনি পদক্ষেপ ল'ব পাৰিব।

(৩) জিলা প্ৰাধিকৰণৰ সভাপতিজনে নতুবা জিলা প্ৰাধিকৰণে ধাৰা (১)বা (২)ৰ কৰ্ত্তৃত্বত প্ৰাপ্ত ক্ষমতা অনুসৰি নিজৰ পৰিসীমাৰ ভিতৰত কাৰ্য্যকৰীকৰণাৰ্থে সাধাৰণ বা

বিশেষ আদেশ কাৰ্য্যবাহী বিষয়াক লিখিত ভাৱে জাৰী কৰিব পাৰিব।

**জিলা প্ৰাধিকৰণৰ বৈঠক**

২৭. জিলা প্ৰাধিকৰণে যেতিয়াই আৱশ্যক অনুভৱ কৰিব তেতিয়াই সভাপতিয়ে বিচৰা স্থান আৰু সময়ত বৈঠকত মিলিত হ'ব।

**পৰামৰ্শদাতা সমিতি তথা আন আন সমিতি গঠন**

২৮.(১) জিলা প্ৰাধিকৰণে যেতিয়াই আৱশ্যক অনুভৱ কৰিব তেতিয়াই ইয়াৰ কাৰ্য্যাৱলী আৰু অধিক কাৰ্য্যক্ষম কৰি তোলাৰ বাবে আৰু এখন বা ততোধিক পৰামৰ্শ দাতা সমিতি তথা আন সমিতি গঠন কৰিব পাৰিব।

(২) জিলা প্ৰাধিকৰণে সদস্যসকলৰ মাজৰ পৰা উপ ধাৰা (১) অনুসৰি সমিতিৰ সভাপতিজন নিৰ্বাচিত কৰিব পাৰিব।

(৩) এনে যিকোনো এখন সমিতি/উপ সমিতিৰ সৈতে বিশেষজ্ঞ হিচাপে উপধাৰা (১) অনুসৰি জড়িত থকা প্ৰতিজন ব্যক্তিয়েই ৰাজ্য চৰকাৰৰ অনুমোদিত হাৰত বানচ আদি লাভ কৰিব।

**জিলা প্ৰাধিকৰণৰ বাবে বিষয়া আৰু কৰ্মচাৰী নিয়োগ**

২৯. জিলা প্ৰাধিকৰণক কাৰ্য্য পৰিচালনাৰ বাবে হোৱা আৱশ্যক অনুসৰি বিষয়া, পৰামৰ্শদাতা আৰু কৰ্মচাৰীৰ ব্যৱস্থা ৰাজ্য চৰকাৰে কৰি দিব।

**জিলা প্ৰাধিকৰণৰ ক্ষমতা আৰু কাৰ্য্যাৱলী**

৩০. (১) জিলা প্ৰাধিকৰণে জিলাৰ পৰিকল্পনা যুগুতোৱা, দুৰ্যোগ নিৰাময়ৰ ব্যৱস্থাৱলী হাতত লোৱা, সকলো ক্ষেত্ৰতে ৰাষ্ট্ৰীয় আৰু ৰাজ্য চৰকাৰে জাৰী কৰা নিৰ্দেশনা অনুসৰি সমন্বয় ৰক্ষা কৰা আদি কামৰ ক্ষেত্ৰত জিলাখনত দায়বদ্ধ হিচাপে কাৰ্য্যনিৰ্বাহ কৰিব।

(২) সাধাৰণ দিহাসমূহৰ ওপৰত কোনো পক্ষপাতিত্ব নকৰাকৈ উপধাৰা (১) অনুসৰি জিলা প্ৰাধিকৰণে -

(১) জিলা দুৰ্যোগ ব্যৱস্থাপনা পৰিকল্পনাৰ লগতে জিলাখনৰ দুৰ্যোগ সঁহাৰি পৰিকল্পনাও যুগুতাব।

(২) দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত সমন্বয় ৰক্ষা তথা ৰাষ্ট্ৰীয় নীতি-ৰাষ্ট্ৰীয় পৰিকল্পনা আৰু ৰাজ্যিক পৰিকল্পনাৰ লগতে জিলা পৰিকল্পনা ৰূপায়ণত নিৰীক্ষণকাৰী হিচাপে কাৰ্য্যনিৰ্বাহ কৰিব।

(৩) জিলাখনত দুৰ্যোগৰ প্ৰতি থকা ভাবুকিবোৰ চিনাক্ত তথা নিশ্চিত কৰি দুৰ্যোগৰ সতে মোকাবিলা কৰিব পৰাকৈ চৰকাৰৰ তৰফৰ পৰা বা জিলা পৰ্য্যায়ত থকা বিভাগসমূহৰ জৰিয়তে জিলাখনত কাৰ্য্যকৰী ব্যৱস্থা লোৱাব পাৰিব।

(৪) ৰাজ্যত দুৰ্যোগ প্ৰতিৰোধ, প্ৰশমণ, পূৰ্ব প্ৰস্তুতি আৰু সঁহাৰিৰ বাবে ৰাজ্যিক তথা ৰাষ্ট্ৰীয় প্ৰাধিকৰণে জাৰী কৰা নিৰ্দেশনা অনুসৰি জিলাখনত বিভাগসমূহৰ লগতে স্থানীয় প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰাটো নিশ্চিত কৰিব।

(৫) জিলাখনৰ প্ৰশাসনিক বিভাগ তথা স্থানীয় প্ৰশাসনক দুৰ্যোগৰ স'তে মোকাবিলা কৰা বা প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশ দিব পাৰিব।

(৬) জিলাখনৰ প্ৰশাসনিক বিভাগ তথা স্থানীয় প্ৰশাসনক দুৰ্যোগৰ স'তে মোকাবিলা কৰা বা প্ৰতিৰোধ কৰিবৰ বাবে যাৱতীয় ব্যৱস্থাৱলী গ্ৰহণৰ বাবে নিৰ্দেশনা জাৰী কৰিব পাৰিব।

(৭) জিলাখনৰ বাবে যুগুতোৱা পৰিকল্পনা অনুসৰি জিলাখনত দুৰ্যোগৰ স'তে মোকাবিলা বা প্ৰতিৰোধ কৰাৰ বাবে ৰূপায়ণ কৰা ব্যৱস্থাৱলীবোৰ পৰ্য্যবেক্ষণ তথা পৰ্য্যালোচনা কৰিব পাৰিব।

(৮) জিলাখনৰ বিভিন্ন চৰকাৰী বিভাগবোৰে জিলা পৰ্য্যায়ত সংহত ভাৱে দুৰ্যোগৰ স'তে মোকাবিলা কৰা তথা প্ৰতিৰোধ কৰি ক্ষয়-ক্ষতিৰ পৰিমাণ হ্ৰাস কৰাৰ বাবে তেওঁলোকৰ পৰিকল্পনা আৰু প্ৰকল্পত ব্যৱস্থাৱলী অৰ্ন্তভূক্ত কৰাৰ নিৰ্দেশাৱলী প্ৰদান কৰাৰ লগতে তাৰ বাবে কাৰিকৰী সহায় আগবঢ়াব।

(৯) ওপৰত উল্লেখিত ধাৰা (৮) অনুসৰি জিলাখনত ৰূপায়ণ কৰা ব্যৱস্থাৱলীবোৰ পৰ্য্যবেক্ষণ কৰিব।

(১০) জিলাখনে দুৰ্যোগৰ স'তে মুখা-মুখি হৈ তাৰ স'তে মোকাবিলা কৰিব পৰা আৰু উপযুক্ত সঁহাৰি জনাব পৰা সক্ষমতাৰ ওপৰত পৰ্য্যালোচনা চলাই আৱশ্যকীয় ব্যৱস্থাবোৰ সময়ৰ স'তে মিলাই লৈ অৱলম্বন কৰাৰ বাবে সংশ্লিষ্ট বিভাগ তথা প্ৰশাসনক নিৰ্দেশ দিব।

(১১) দুৰ্যোগৰ স'তে জিলাখনে মুখা-মুখি হ'ব পৰাকৈ তথা আৱশ্যকত উপযুক্ত সঁহাৰি জনাব পৰাকৈ সাজু হৈ থাকিব লগা সক্ষমতাৰ ওপৰত পৰ্য্যালোচনা চলাই দুৰ্যোগ বা আশঙ্কাৰ ওপৰত সজাগতা সৰ্ম্পকে আৱশ্যকীয় ব্যৱস্থাবোৰ গ্ৰহণ কৰাৰ বাবে সংশ্লিষ্ট বিভাগ তথা প্ৰশাসনক নিৰ্দেশ দিব।

(১২) দুৰ্যোগৰ স'তে জিলাখনে মুখামুখি হওঁতে সঁহাৰি জনাব পৰাকৈ আৱশ্যকীয় প্ৰশিক্ষণ আদি বিভিন্ন পৰ্য্যায়ত বিষয়া-কৰ্মচাৰী, উদ্ধাৰকাৰ্য্যত নিয়োজিত অনাচৰকাৰী স্বেচ্ছাসেৱক-কৰ্মী আদিৰ মাজত আয়োজন কৰিব আৰু এই ক্ষেত্ৰত সমন্বয় ৰক্ষা কৰিব।

(১৩) দুৰ্যোগ প্ৰতিৰোধ আৰু প্ৰশমণৰ বাবে জিলাৰ স্থানীয় প্ৰশাসন, চৰকাৰী তথা অনাচৰকাৰী সংস্থাবোৰৰ সহযোগত সামূহিক প্ৰশিক্ষণ আৰু জনসজাগতা বৃদ্ধি বিষয়ক অনুষ্ঠানৰ আয়োজন কৰিব।

(১৪) জনসাধাৰণক দুৰ্যোগৰ আগতীয়া জাননী দিব পৰা ব্যৱস্থাৱলী স্থাপন কৰা, আগজাননীৰ ব্যৱস্থাটো চোৱাচিতা কৰা, ব্যৱস্থাটো বৰ্ত্তমান সময়ৰ আৱশ্যকতাৰ স'তে মিলাই ৰখা তথা সঠিক তথ্য জনসাধাৰণক অৱগত কৰা।

(১৫) জিলা পৰ্য্যায়ত বিভিন্ন দুৰ্যোগত উপযুক্ত সঁহাৰি জনাব পৰাকৈ পৰিকল্পনা তথা নিৰ্দেশাৱলী যুগুত কৰা আৰু ইয়াক আৱশ্যক অনুসৰি পৰ্য্যালোচনা কৰা, সংশোধন কৰা।

(১৬) কোনো ধৰণৰ দুৰ্যোগ বা দুৰ্যোগৰ আশঙ্কাৰ সময়ত সঁহাৰি জনোৱা আদি কামত সমন্বয় ৰক্ষা কৰা।

(১৭) ৰাজ্য চৰকাৰৰ জিলা পৰ্য্যায়ৰ বিভাগবোৰ তথা স্থানীয় প্ৰশাসনে জিলাৰ সঁহাৰিমূলক আঁচনি মৰ্মে যাতে সঁহাৰি প্ৰক্ৰিয়াৰ আঁচনিসমূহ যুগুতাই লয় সেইটো নিশ্চিত কৰা।

(১৮) জিলা পৰ্য্যায়ৰ বিভাগ, স্থানীয় প্ৰশাসন, সংস্থাসমূহে নিজ ক্ষমতাৰ পৰিসীমাৰ ভিতৰত যথাযথ ভাবে দুৰ্যোগৰ সময়ত সঁহাৰি দিব পৰাকৈ বা দুৰ্যোগৰ ভাবুকি প্ৰতিহত কৰিব পৰাকৈ ব্যৱস্থাৱলীবোৰ গ্ৰহণ কৰাৰ বাবে নিৰ্দেশ দিয়া বা নিৰ্দেশনা জাৰী কৰা।

(১৯) জিলা পৰ্য্যায়ৰ দুৰ্যোগ ব্যৱস্থাপনাৰ স'তে জড়িত বিভাগ, স্থানীয় প্ৰশাসন, সংস্থাবোৰক উপদেশ, দিহা-পৰামৰ্শ দিয়া, সহায় কৰাৰ লগতে কাম কাজবোৰৰ মাজত সমন্বয় ৰক্ষা কৰা।

(২০) দুৰ্যোগৰ স'তে মোকাবিলা কৰা, দুৰ্যোগ প্ৰতিৰোধ কৰা, দুৰ্যোগৰ ভাবুকি প্ৰতিৰোধ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা সৰ্ম্পকে জিলাখনত তৎকালে সফল ব্যৱস্থাৱলী গ্ৰহণ কৰাৰ বাবে জিলাৰ স্থানীয় প্ৰাধিকৰণক নিৰ্দেশ দিব আৰু এই কামত সমন্বয় ৰক্ষা কৰিব।

(২১) জিলাৰ স্থানীয় প্ৰাধিকৰণক এনে যাবতীয় কাম-কাজবোৰ নিয়াৰীকৈ সম্পাদন কৰাৰ বাবে আৱশ্যক হোৱা কাৰিকৰী সহায় বা দিহা-পৰামৰ্শ আগবঢ়াব।

(২২) জিলা পৰ্য্যায়ৰ বিভাগ, স্থানীয় প্ৰশাসন, নিকায় আদিয়ে উন্নয়নৰ বাবে প্ৰস্তুত কৰা পৰিকল্পনাখন পৰ্যালোচনা কৰি দুৰ্যোগৰ স'তে মোকাবিলা কৰা বা দুৰ্যোগ প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত যদি কিবা আৱশ্যকীয় মতামত বা পৰামৰ্শ থাকে, সেয়া আগবঢ়াব।

(২৩) জিলাখনৰ ভিতৰত সজা কোনো গাঠনি আদি পৰীক্ষা কৰিব পাৰিব আৰু যদি ভাবে যে সেই গাঠনিটো সাজোতে নিৰাপত্তাৰ ক্ষেত্ৰত পালন কৰিব লগা সাধাৰণ মানদণ্ড উপেক্ষা কৰা হৈছে, তেতিয়াহ'লে বিষয়টো সংশ্লিষ্ট কৰ্ত্তৃপক্ষক অৱগত কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশ দিব।

(২৪) দুৰ্যোগৰ ভাবুকি বা দুৰ্যোগৰ পৰিবেশত জিলাখনত সাহাৰ্য্য শিবিৰ হিচাপে ব্যৱহাৰ কৰিব লগা ঠাই তথা ভৱনবোৰ চিনাক্ত কৰি সেই স্থানত পানী যোগানৰ ব্যৱস্থা, অনাময় ব্যৱস্থা আদি সেৱাবোৰৰ দিহা কৰিব।

(২৫) উদ্ধাৰ আৰু সাহাৰ্য্য শিবিৰৰ বাবে জিলাখনত দুৰ্যোগৰ পূৰ্ব প্ৰস্তুতিত আৱশ্যক হ'ব পৰা সামগ্ৰীসমূহ যোগাৰ কৰি ৰাখি নিশ্চিত কৰি থ'ব আৰু সঁহাৰিৰ বাবে আৱশ্যকীয় বস্তুবোৰ যাতে আৱশ্যকত তৎকালে উপলব্ধ হয় তাৰো ব্যৱস্থা কৰি থ'ব লাগিব।

(২৬) দুৰ্যোগ ব্যৱস্থাপনা সম্পৰ্কীয় বিভিন্ন তথ্য ৰাজ্যিক প্ৰাধিকৰণক যোগান ধৰিব।

(২৭) জিলাখনৰ তৃণমূল পৰ্য্যায়ত কাম কৰি থকা অনাচৰকাৰী সংস্থা, স্বেছাসেৱী সমাজ কল্যাণ অনুষ্ঠান বা প্ৰতিষ্ঠানবোৰক দুৰ্যোগ ব্যৱস্থাপনাৰ সৈতে জড়িত হ'বলৈ উৎসাহিত কৰিব লাগিব।

(২৮) সময়ে সময়ে জিলাখনত দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে আৱশ্যকীয় আখৰাবোৰ কৰি থাকিব লাগে আৰু সংযোগ ও যোগাযোগ ব্যৱস্থা সুশৃঙ্খলভাৱে নিয়াৰিকৈ আছে নে নাই তাকো নিশ্চিত কৰি থ'ব লাগে।

(২৯) জিলাখনত দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে ৰাজ্য চৰকাৰ বা ৰাজ্যিক প্ৰাধিকৰণৰ দ্বাৰা ন্যস্ত আন আন দায়িত্ববোৰ পালন কৰাৰ লগতে বিভিন্ন কাৰ্য্যাৱলীবোৰো সুচাৰু ভাবে সম্পন্ন কৰিব লাগিব।

**জিলা পৰিকল্পনা**

৩১. (১) ৰাজ্যখনৰ প্ৰতিখন জিলাত দুৰ্যোগ ব্যৱস্থাপনা কৰাৰ বাবে একোখনকৈ পৰিকল্পনা থাকিব লাগিব।

(২) জিলা প্ৰাধিকৰণে স্থানীয় প্ৰাধিকৰণৰ স'তে আলোচনা কৰি ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰিকল্পনা অনুসৰি জিলা পৰিকল্পনাখন যুগুতাব আৰু এই পৰিকল্পনাখনত ৰাজ্যিক চৰকাৰে অনুমোদন দিব।

(৩) জিলা পৰিকল্পনাত অৰ্ন্তভুক্ত হ'ব ঃ-

(ক) জিলাখনত বিভিন্ন দুৰ্যোগৰ পৰা ভাবুকি থকা অঞ্চলবোৰ;

(খ) দুৰ্যোগৰ মুখামুখি হ'বলৈ নতুবা আশঙ্কা প্ৰতিৰোধ কৰাৰ বাবে জিলাৰ স্থানীয় প্ৰশাসন নতুবা বিভাগবোৰে গ্ৰহণ কৰিব লগীয়া আৱশ্যকীয় ব্যৱস্থাৱলী।

(গ) জিলাখনত কোনো দুৰ্যোগ বা দুৰ্যোগৰ ভাবুকিয়ে দেখা দিলে যাতে সফলতাৰে সৈতে তাৰ মোকাবিলা কৰিব পাৰি তাৰ বাবে সক্ষমতা আৰু সজাগতা বৃদ্ধি কৰাৰ বাবে জিলা প্ৰশাসন, স্থানীয় প্ৰশাসন তথা বিভাগ আদিয়ে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিব।

(ঘ) দুৰ্যোগ আহিলে সঁহাৰি জনোৱাৰ পৰিকল্পনা আৰু নীতি নিয়মবোৰ এনেধৰণৰ হ'ব ঃ

নিয়মবোৰ এনেধৰণৰ হ'ব ঃ

১. জিলাৰ বিভিন্ন বিভাগ, স্থানীয় প্ৰশাসনক দায়িত্ব আৰু দায়বদ্ধতা ভগাই দিয়া অনুসৰি হ'ব।

২. দুৰ্যোগৰ ক্ষিপ্ৰ সঁহাৰি আৰু সাহাৰ্য্যৰ বাবে তৎকালীণ ব্যৱস্থা লব লাগিব।

৩. জিলাখনত আৱশ্যকীয় সকলোবোৰ সম্পদ উপলব্ধ কৰাব লাগিব।

৪. যোগাযোগ আৰু সংযোগ ব্যৱস্থা স্থাপন কৰাব লাগিব।

৫. সকলো তথ্য ৰাইজক অৱগত কৰিব লাগিব।

(ঙ) অন্যান্য বিষয়বোৰ ৰাজ্যিক প্ৰাধিকৰণৰ মতে হ'ব।

(৪) প্ৰতি বছৰে জিলাৰ পৰিকল্পনাখন পৰ্য্যালোচনা তথা প্ৰয়োজন সাপেক্ষে সংশোধন।

(৫) জিলাৰ পৰিকল্পনাখনৰ প্ৰতিলিপি ধাৰা (২)আৰু (৪) অনুসৰি জিলাৰ বিভাগ আদিত উপলব্ধ হ'ব লাগিব।

(৬) জিলাৰ পৰিকল্পনাখনৰ এটা প্ৰতিলিপি ৰাজ্যিক প্ৰাধিকৰণলৈ পঠাব লাগিব যিটো ৰাজ্যিক প্ৰাধিকৰণে ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰিব।

(৭) জিলা প্ৰাধিকৰণে সময়ে সময়ে পৰিকল্পনাখন ৰূপায়ণৰ বিষয়টো পৰ্য্যালোচনা কৰিব আৰু আৱশ্যক অনুসৰি উপযুক্ত পদক্ষেপ গ্ৰহণৰ বাবে জিলাৰ বিভাগ সমূহক নিৰ্দেশ দিব।

**জিলা পৰ্য্যায়ৰ বিভিন্ন বিভাগৰ জিলা পৰিকল্পনা**

৩২. ৰাজ্যখনত থকা কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ অধীনৰ নতুবা স্থানীয় প্ৰশাসনৰ বিভাগবোৰ জিলা প্ৰাধিকৰণৰ নিৰীক্ষণত-

(ক) নিম্নোক্ত বিষয় সামৰি দুৰ্যোগ ব্যৱস্থাপনাৰ পৰিকল্পনা যুগুতাব, বিশেষকৈ-

(১) জিলা পৰিকল্পনাত থকা ব্যৱস্থা অনুসৰি দুৰ্যোগ প্ৰতিৰোধ আৰু দুৰ্যোগত ক্ষয়-ক্ষতি হ্ৰাস কৰাৰ বাবে বিভাগ বা সংস্থাসমূহেও নিজ নিজ দায়িত্ব পালন কৰিব।

(২) জিলা পৰিকল্পনাত থকাৰ দৰে জিলাখনত দুৰ্যোগৰ স'তে মোকাবিলা কৰিব পৰাকৈ সক্ষমতা বৃদ্ধি আৰু সজাগতা বৃদ্ধিৰ ব্যৱস্থা কৰিব।

(৩) জিলাখনত কোনো দুৰ্যোগৰ ভাবুকি থাকিলে নতুবা দুৰ্যোগৰ দৰে অৱস্থাৰ সৃষ্টি হ'লে সঁহাৰি জনাব পৰাৰ বিধি ব্যৱস্থা থাকিব।

(খ) আঁচনিৰ প্ৰস্তুতি আৰু ৰূপায়ণৰ ক্ষেত্ৰত জিলা পৰ্য্যায়ৰ আন আন সংস্থাসমূহ, স্থানীয় প্ৰশাসন, জনসাধাৰণৰ লগতে বিশেষকৈ উপকৃত হ'ব লগা সকলৰ মাজত সমন্বয় ৰক্ষা কৰিব লাগিব।

(গ) আঁচনিসমূহ নিয়মীয়াকৈ পৰ্য্যালোচনা কৰি সময় উপযোগীকৈ থ'ব লাগিব।

(ঘ) জিলা প্ৰাধিকৰণক এই পৰিকল্পনাৰ এটা প্ৰতিলিপি প্ৰদান কৰাৰ উপৰিও ইয়াৰ ওপৰত যদি কিবা সংশোধনী গ্ৰহণ কৰা হয় সেয়াও দাখিল কৰিব লাগিব।

**জিলা প্ৰাধিকৰণৰ দ্বাৰা অধিগ্ৰহণ**

(৩৩) জিলা প্ৰধিকৰণে কোনো বিভাগক আৱশ্যক অনুসৰি আঁচনি ৰূপায়ণ, আশংকা নিৰাময় আৰু ক্ষয়-ক্ষতি হ্ৰাস কৰাৰ বাবে ব্যৱস্থা গ্ৰহণৰ কামত কোনো বিভাগ বা বিভাগৰ কোনো বিষয়াক অধিগ্ৰহণ কৰি এনে কামত ব্যৱহাৰ কৰিব পাৰিব। বিভাগসমূহে এনে দায়িত্ব পালন কৰিবলৈ দায়বদ্ধ হৈ থাকিব।

**জিলা প্ৰশাসনৰ দুৰ্যোগকালীন ক্ষমতা আৰু কাৰ্য্যাৱলী**

(৩৪) সহায়ৰ হাত আগবঢ়োৱাৰ উদ্দেশ্যে, নিৰাপত্তা তথা সাহাৰ্য্য প্ৰদান কৰাৰ কামত, দুৰ্যোগ বা দুৰ্যোগৰ দৰে অৱস্থা হ'লে সঁহাৰি জনোৱাৰ বাবে জিলা প্ৰাধিকৰণে -

(ক) জিলাত থকা কোনো বিভাগ, স্থানীয় প্ৰশাসনৰ ওচৰত থকা সম্পদসমূহ আৱশ্যকৰ সময়ত ব্যৱহাৰৰ বাবে মুকলি কৰি দিয়াৰ আদেশ জাৰী কৰিব পাৰিব।

(খ) দুৰ্যোগত আক্ৰান্ত অঞ্চলত বা বিপদৰ আশংকা থকা অঞ্চলত যান-বাহনৰ চলাচল নিয়ন্ত্ৰিত বা বন্ধ ৰখাৰ নিৰ্দেশ দিব পাৰিব।

(গ) দুৰ্যোগত আক্ৰান্ত অঞ্চলত বা আশংকা থকা এনে অঞ্চলত কোনো ব্যক্তিৰ প্ৰবেশ বা চলাচল বন্ধ ৰখাৰ নিৰ্দেশ দিব পাৰিব।

(ঘ) ধ্বংসস্তুপ আঁতৰাব, সন্ধান আৰু উদ্ধাৰ অভিযান চলাব পাৰিব।

(ঙ) আশ্ৰয়, খাদ্য, খোৱা পানী, অত্যাৱশ্যকীয় সেৱা সমূহ উপলব্ধ কৰোৱা, স্বাস্থ্য সেৱা আগবঢ়োৱাৰ ব্যৱস্থা কৰিব।

(চ) আক্ৰান্ত অঞ্চলসমূহত জৰুৰীকালীন যোগাযোগ স্থাপনৰ ব্যৱস্থা কৰিব।

(ছ) অচিনাক্ত দাবী নকৰা মৃতদেহসমূহ সৎকাৰৰ ব্যৱস্থা কৰিব।

(জ) জিলাত থকা ৰাজ্য চৰকাৰৰ কোনো বিভাগ বা কোনো সংস্থা নতুবা নিকায় আদিক বিৱেচনা কৰিলে এনেধৰণৰ বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে অনুমোদন দিব পাৰিব।

(ঝ) আৱশ্যক অনুসৰি সেই বিষয়ৰ স'তে জড়িত বিশেষজ্ঞ বা পৰামৰ্শদাতা নিয়োগ কৰি সেইসকলৰ দিহা পৰামৰ্শ আৰু সেৱা গ্ৰহণ কৰিব পাৰিব।

(ঞ) কোনো প্ৰশাসনৰ বা বিশেষ কোনো ব্যক্তিৰ বিশেষ সেৱা বা অগ্ৰাধিকাৰ ভিত্তিত আৱশ্যকীয় সেৱা অগ্ৰাধিকাৰ ভিত্তিত অধিগ্ৰহণ কৰিব পাৰিব।

(ট) অস্থায়ী দলং বা তেনেধৰণৰ গাঠনি আদি সাজিব পাৰিব আৰু দুৰ্যোগৰ সময়ত বা ভাবুকি থকা স্থায়ী গাঠনি আদি ভাঙিবও পাৰিব।

(ঠ) অনাচৰকাৰী সংস্থা বা সংগঠনবোৰে কাৰো প্ৰতি কোনো পক্ষপাতিত্ব নকৰাকৈ সকলো ধৰণৰ সেৱা আগবঢ়োৱাটো সুনিশ্চিত কৰিব লাগিব।

(ড) এনেধৰণৰ পৰিস্থিতিত আৱশ্যকতা থকা তথা সাৱধানতাৰ বাবে আৱশ্যকীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিব।

## অধ্যায়- ৫

### চৰকাৰ বা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ দ্বাৰা গ্ৰহণ কৰিব লগা ব্যৱস্থাৱলী

**কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰিব লগা ব্যৱস্থাৱলী**

৩৫(১) এই আইনত থকা বিধি ব্যৱস্থা অনুসৰি কেন্দ্ৰীয় চৰকাৰে দুৰ্যোগ ব্যৱস্থাপনা ব্যৱস্থা উন্নত আৰু ক্ষীপ্ৰ কৰাৰ কাৰণে যাবতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিব।

(২) এই উপধাৰা (১) এই অনুসৰি কোনো ধৰণৰ পক্ষপাতিত্ব নকৰাকৈ কেন্দ্ৰীয় চৰকাৰে তলত বিশেষভাবে উল্লেখ কৰাখিনিৰ ওপৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব-

(ক) ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰণালয়-বিভাগ, ৰাজ্য চৰকাৰ, ৰাষ্ট্ৰীয় প্ৰাধিকৰণ, ৰাজ্যিক প্ৰাধিকৰণ, চৰকাৰী-অনাচৰকাৰী সংস্থা-সংগঠন আদিৰ কাৰ্য্যাৱলীৰ মাজত দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত সমন্বয় ৰক্ষা কৰা।

(খ) দুৰ্যোগ প্ৰতিৰোধ তথা ক্ষয়-ক্ষতি হ্ৰাসকৰণৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰণালয় বা বিভাগৰ দ্বাৰা গৃহীত ব্যৱস্থাৱলী তেখেতসকলৰ দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে থকা আঁচনি বা প্ৰকল্পৰ স'তে সংহত কৰা।

(গ) দুৰ্যোগ প্ৰতিৰোধ, ক্ষয়-ক্ষতি হ্ৰাস কৰা, সজাগতা আৰু সক্ষমতা বৃদ্ধিৰ বাবে ভাৰত চৰকাৰৰ মন্ত্ৰণালয়-বিভাগ আদিৰ বাবে আৱশ্যকীয় পুঁজিৰ ব্যৱস্থা ৰখাটো নিশ্চিত কৰি থ'ব লাগিব।

(ঘ) ভাৰত চৰকাৰৰ বিভাগ, মন্ত্ৰণালয় আদিবোৰে সাজু হৈ থাকি সঠিক সময়ত ক্ষিপ্ৰতাৰে সঁহাৰি জনাব পৰাকৈ যাতে সকলো ব্যৱস্থাৱলী সাজু হৈ থাকে সেইটো সুনিশ্চিত কৰিব লাগিব।

(ঙ) ৰাজ্য চৰকাৰে বিচৰাৰ দৰে ৰাজ্য চৰকাৰৰ লগত সহযোগ কৰাৰ লগতে ৰাজ্য চৰকাৰক আৱশ্যকীয় সহায়ৰ হাত আগবঢ়াব আৰু আৱশ্যক বুলি অনুভৱ কৰা সকলো ব্যৱস্থাৱলী নিজাববীয়াকৈয়ো গ্ৰহণ কৰিব।

(চ) নৌ সেনা, সেনা তথা বায়ুসেনাৰ লগতে আন আন সশস্ত্ৰ বাহিনীসমূহৰ লগতে সাধাৰণ প্ৰশাসনৰ লোকসকলকো এই কামত নিয়োগ কৰিব।

(ছ) ৰাষ্ট্ৰ সংঘৰ সংস্থা, আন্তঃৰাষ্ট্ৰীয় সংস্থা, বিদেশৰ কোনো চৰকাৰে এই আইনৰ সুবিধা লৈ কিবা সাহাৰ্য্য আগবঢ়াব খুজিলে তেওঁলোকৰ সৈতে সকলোধৰণৰ সহযোগ আগবঢ়াব লাগিব।

(জ) দুৰ্যোগ ব্যৱস্থাপনা ক্ষেত্ৰত গৱেষণা, প্ৰশিক্ষণ তথা উন্নয়নৰ বাবে প্ৰতিষ্ঠান স্থাপন কৰিব লাগিব।

(ঝ) এই আইনৰ ধাৰাবোৰ সঠিক ভাৱে আৰু খৰতকীয়াকৈ প্ৰযোজ্য কৰাৰ বাবে যাবতীয় সকলো ব্যৱস্থাৱলী গ্ৰহণ কৰিব পাৰিব।

(৩) কেন্দ্ৰীয় চৰকাৰে আৱশ্যক অনুভৱ কৰিলে দুৰ্যোগত আক্ৰান্ত বিদেশী ৰাষ্ট্ৰলৈয়ো সহায়ৰ হাত আগবঢ়াব পাৰিব।

৩৬. ভাৰত চৰকাৰৰ প্ৰতিটো বিভাগ বা মন্ত্ৰণালয় ইয়াৰ প্ৰতি দায়ৱদ্ধ থাকিব-

**ভাৰত চৰকাৰৰ মন্ত্ৰণালয় আৰু বিভাগসমূহৰ দায়িত্ব**

(ক) ৰাষ্ট্ৰীয় প্ৰাধিকৰণে যুগুতোৱা নিৰ্দেশনা অনুসৰি দুৰ্যোগ প্ৰতিৰোধ কৰা, আশংকা নিৰাময় কৰা, সজাগতা আৰু সক্ষমতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত।

(খ) উন্নয়ন আঁচনি-প্ৰকল্প বিলাকৰ সৈতে ইয়াৰ সমন্বয় ঘটাব লাগিব, ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ নিৰ্দেশনা অনুসৰি দুৰ্যোগ প্ৰতিৰোধ আৰু ক্ষয়-ক্ষতি হ্ৰাসকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

(গ) কোনো দুৰ্যোগ বা দুৰ্যোগৰ দৰে স্থিতিৰ উদ্ভৱ হ'লে তৎকালে আৰু সফলভাবে এই পৰিস্থিতিৰ প্ৰতি সঁহাৰি জনাব লাগিব। এই ক্ষেত্ৰত ৰাষ্ট্ৰীয় প্ৰাধিকৰণ নতুবা ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিৰ নিৰ্দেশনা পালন কৰিব লাগিব।

(ঘ) দুৰ্যোগ মোকাবিলা কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱলীবোৰ পৰ্য্যালোচনা কৰিব লাগিব, নীতি-নিয়ম আইন আদি ভালদৰে পৰ্য্যালোচনা কৰি যদি ক'ৰবাত কিবা সুৰুঙা থাকে নতুবা নতুন কিবা ব্যৱস্থা গ্ৰহণৰ আৱশ্যকতা থাকে তেতিয়া হ'লে সেই ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

(ঙ) দুৰ্যোগ প্ৰতিৰোধ, আশংকা হ্ৰাস কৰণ, সক্ষমতা বৃদ্ধি আৰু উপযুক্ত সময়ত সঁহাৰি দিব পৰাকৈ সাজু হৈ থাকিবৰ বাবে আৱশ্যকীয় পুঁজিৰ অনুমোদন দিব লাগিব।

(চ) ৰাষ্ট্ৰীয় প্ৰাধিকৰণ আৰু ৰাজ্য চৰকাৰক তলত উল্লেখিত কামবোৰত সহায়ৰ হাত আগবঢ়াব লাগিব-

(১) দুৰ্যোগৰ প্ৰশমন, পূৰ্ব প্ৰস্তুতি তথা সঁহাৰিমূলক আঁচনি, সক্ষমতা বৃদ্ধি, তথ্য সংগ্ৰহ আৰু চিনাক্তকৰণ তথা দুৰ্যোগ ব্যৱস্থাপনাৰ সৈতে জড়িত ব্যক্তিসকলক প্ৰশিক্ষিত কৰা আদিৰ ক্ষেত্ৰত সঠিক প্ৰতিচ্ছবি এখন ডাঙি ধৰা কামত।
(২) আক্ৰান্ত অঞ্চলত উদ্ধাৰ আৰু সাহাৰ্য্য অভিযানত।
(৩) দুৰ্যোগত হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণ নিৰূপণ কৰাত।
(৪) সাহাৰ্য্য আৰু পুনৰ সংস্থাপন কৰাত।

(ছ) ৰাষ্ট্ৰীয় বা ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ বাবে দুৰ্যোগৰ সময়ত বা আন পৰিস্থিতিত তৎকালে সফল ভাবে সঁহাৰি জনাব পৰাকৈ সমল উপলব্ধ কৰোৱাৰ লগতে তলত উল্লেখ কৰা ব্যৱস্থাৱলীবোৰ যুগুতাই লোৱা-

(১) আশংকা থকা বা দুৰ্যোগে চুই যোৱা অঞ্চলত জৰুৰী সংযোগ, যোগা-যোগ ব্যৱস্থা বাহাল কৰা;
(২) দুৰ্গত অঞ্চলৰ পৰা তথা দুৰ্গত অঞ্চললৈ মানুহ তথা সাহাৰ্য্য সামগ্ৰী পৰিবহনৰ ব্যৱস্থা কৰা;

(৩) আৱশ্যক অনুসৰি ঠাই খালী কৰা, উদ্ধাৰ কাৰ্য্য চলোৱা, অস্থায়ী সাহাৰ্য্য শিবিৰ স্থাপন কৰা বা অন্যান্য তৎকালীন সাহাৰ্য্যৰ ব্যৱস্থা কৰা।
(৪) জৰুৰী ভাবে অস্থায়ী দলং, নাৱৰ বাবে জেটী সজা আৰু জৰুৰী বায়ুসেৱা ব্যৱস্থাৰ বাবে অৱতৰণৰ সুবিধা কৰি দিয়া।
(৫) স্বাস্থ্য, পানী যোগান, অত্যাৱশ্যকীয় সেৱা তথা সুবিধাসমূহ, স্বাস্থ্য সেৱাকে ধৰি অত্যাৱশ্যকীয় সেৱাসমূহ উপলব্ধ কৰোৱা।

(জ) দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে আৱশ্যক বুলি ভবা আন-আন ব্যৱস্থাৱলীবোৰো সাজু কৰি ৰখাৰ ব্যৱস্থা কৰা।

**ভাৰত চৰকাৰৰ বিভাগ বা মন্ত্ৰণালয়ৰ দুৰ্যোগ ব্যৱস্থাপনা পৰিকল্পনা**

৩৭. (১) ভাৰত চৰকাৰৰ প্ৰতিটো মন্ত্ৰণালয় বা বিভাগে -
(ক) তলত উল্লেখ কৰা অনুসৰি বিশেষ গুৰুত্ব সহকাৰে দুৰ্যোগ ব্যৱস্থাপনাৰ পৰিকল্পনা যুগুতাব লাগিব ঃ

(১) ৰাষ্ট্ৰীয় পৰিকল্পনা অনুসৰি দুৰ্যোগ প্ৰতিৰোধ আৰু দুৰ্যোগত ক্ষয়-ক্ষতি হ্ৰাসকৰণৰ বাবে ব্যৱস্থাৱলী গ্ৰহণ কৰিব লাগিব।
(২) ৰাষ্ট্ৰীয় প্ৰাধিকৰণ তথা ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিয়ে ক্ষয়-ক্ষতি হ্ৰাস কৰাৰ বাবে জাৰী কৰা নিৰ্দেশনা অনুসৰি সেই বিশেষ ব্যৱস্থাৱলী-বোৰ সংহত ভাবে বিভাগসমূহৰ উন্নয়ন আঁচনিত অৰ্ন্তভূক্ত কৰিব ;
(৩) দুৰ্যোগ বা দুৰ্যোগৰ ভাবুকিৰ প্ৰতি বিভাগ বা মন্ত্ৰণালয় সমূহ সাজু হৈ থকা আৰু সক্ষমতা বৃদ্ধিৰ বাবে ভূমিকা লোৱাৰ ক্ষেত্ৰত বিশেষ ভাবে দায়বদ্ধ হৈ থাকিব;
(৪) দুৰ্যোগ বা দুৰ্যোগৰ ভাবুকিৰ প্ৰতি বিভাগ বা মন্ত্ৰণালয় সমূহে তৎকালে আৰু ফলপ্ৰসুভাবে সঁহাৰি জনোৱাৰ ক্ষেত্ৰত দায়বদ্ধ;
(৫) দুৰ্যোগ বা দুৰ্যোগৰ ভাবুকিৰ প্ৰতি বিভাগ বা মন্ত্ৰণালয় সমূহ নিজৰ ভূমিকা পালনৰ বাবে উপধাৰা (৩)আৰু (৪) অনুসৰি সাজু হৈ থকাৰ বৰ্ত্তমান স্থিতি;
(৬) উপধাৰা (৩)আৰু (৪) অনুসৰি নিজৰ দায়িত্ব পালনৰ বাবে সক্ষম হৈ থকাৰ বাবে আৱশ্যকীয় ব্যৱস্থাৱলীবোৰ কৰি থোৱা;

(খ) ধাৰা (ক) অনুসৰি প্ৰতিবছৰে এই পৰিকল্পনাখন পৰ্য্যালোচনা কৰি আৱশ্যক অনুসৰি সময়ৰ স'তে ইয়াক খাপখুৱাই ৰাখিব লাগিব।

(গ) ধাৰা (ক) আৰু (খ) অনুসৰি পৰিকল্পনাখন কেন্দ্ৰীয় চৰকাৰলৈ পঠাব লাগিব আৰু চৰকাৰে সেইখন ৰাষ্ট্ৰীয় প্ৰাধিকৰণলৈ অনুমোদনৰ বাবে প্ৰেৰণ কৰিব।

(২) ভাৰত চৰকাৰৰ প্ৰতিটো মন্ত্ৰণালয় বা বিভাগে এনেধৰণে কৰিব ঃ

(ক) ধাৰা (ক)ৰ উপধাৰা (ৰ) অনুসৰি দুৰ্যোগ ব্যৱস্থাপনা আঁচনি তৈয়াৰ কৰাৰ সময়ত (১) বিশেষভাবে প্ৰাধান্য থকা কাম-কাজৰ বাবে বিত্ত যোগানৰ ব্যৱস্থা ৰাখিব;
(খ) ধাৰা (ক)ৰ উপধাৰা (১) অনুসৰি কাৰ্য্যৰূপায়ণৰ বৰ্ত্তমান স্থিতিৰ সবিশেষ ৰাষ্ট্ৰীয় প্ৰাধিকৰণক দিব লাগিব নতুবা ৰাষ্ট্ৰীয় প্ৰাধিকৰণে আৱশ্যকত যিকোনো সময়ত বিচাৰিলে বৰ্ত্তমানৰ অগ্ৰগতিৰ সবিশেষ অৱগত কৰিব লাগিব।

**ৰাজ্য চৰকাৰে গ্ৰহণ কৰিব লগা ব্যৱস্থাৱলী**

৩৮. (১) এই আইনত ৰখা ব্যৱস্থা অনুসৰি প্ৰতিখন ৰাজ্য চৰকাৰে ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ নিৰ্দেশনাত বিশেষ ভাবে উল্লেখ কৰা অনুসৰি দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে তথা আৱশ্যক অনুভৱ কৰিলে খৰতকীয়াভাবে সকলো ব্যৱস্থাৱলী গ্ৰহণ কৰিব।
(২) উপধাৰা (১) অনুসৰি ৰাজ্য চৰকাৰে তলত উল্লেখ কৰা সকলোবোৰ নতুবা আংশিকভাবে তাৰ মাজৰ পৰা ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব ঃ

(ক) ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগ, ৰাজ্যিক প্ৰাধিকৰণ, জিলা প্ৰাধিকৰণ, স্থানীয় প্ৰশাসন তথা আন-আন অনাচৰকাৰী সংস্থাবোৰে ৰূপায়ণ কৰা কাম-কাজৰ মাজত সমন্বয় ৰক্ষা কৰিব লাগিব।
(খ) দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় প্ৰাধিকৰণ, ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি, ৰাজ্যিক প্ৰাধিকৰণ- ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি, জিলা প্ৰাধিকৰণক সহায় আৰু সহযোগ কৰিব লাগিব।
(গ) দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ মন্ত্ৰণালয়-বিভাগসমূহক তেওঁলোকে বিচাৰিলে সহায় আৰু সহযোগ আগবঢ়াব লাগিব নতুবা আৱশ্যক অনুভৱ কৰিলে সেই অনুসৰি সহায়-সহযোগ আগবঢ়াব।
(ঘ) দুৰ্যোগ প্ৰতিৰোধ, ক্ষয়-ক্ষতি হ্ৰাসকৰণৰ বাবে ব্যৱস্থাৱলী গ্ৰহণ কৰিবলৈ সক্ষমতা বৃদ্ধি আৰু সঁহাৰিৰ বাবে সাজু হৈ থাকিব পৰা কৰিবলৈ ৰাজ্যিক পৰিকল্পনা বা জিলা পৰিকল্পনাত ৰখা ব্যৱস্থা অনুসৰি আৱশ্যক হোৱা পুঁজি যোগানৰ ব্যৱস্থা কৰিব।
(ঙ) ৰাজ্য চৰকাৰৰ সকলো বিভাগেই যাতে সংহত ভাবে দুৰ্যোগ প্ৰতিৰোধ আৰু দুৰ্যোগত হ'ব পৰা ক্ষয়-ক্ষতি হ্ৰাস কৰণৰ বাবে উন্নয়নমূলক আঁচনি বা প্ৰকল্পসমূহত যথোচিত ব্যৱস্থা গ্ৰহণ কৰে সেইটো নিশ্চিত কৰিব।
(চ) ৰাজ্যিক উন্নয়ন পৰিকল্পনাত যাতে ৰাজ্যৰ দুৰ্যোগপ্ৰৱণ অঞ্চলবোৰত বিভিন্ন দুৰ্যোগৰ পৰা থকা ভাবুকিবোৰ ৰোধ কৰিবলৈ আৰু ইয়াৰ ফলত হ'ব পৰা ক্ষয়-ক্ষতি হ্ৰাস কৰিবলৈ সংহতভাবে সমুচিত ব্যৱস্থাৱলী গ্ৰহণ কৰা হয় সেইটো নিশ্চিত কৰিব লাগিব।
(ছ) ৰাজ্যৰ বিভিন্ন বিভাগসমূহত দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে ৰাজ্যিক তথা ৰাষ্ট্ৰীয় প্ৰাধিকৰণে জাৰী কৰা নিৰ্দেশনা অনুসৰি দুৰ্যোগ ব্যৱস্থাপনা প্ৰস্তুত কৰাটো সুনিশ্চিত কৰিব লাগিব।
(জ) স্পৰ্শকাতৰ সম্প্ৰদায়সমূহৰ মাজত দুৰ্যোগৰ আগজাননীৰ সংকেত ধ্বনি দিব গপৰাকৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

(ঝ) ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগ তথা জিলা প্ৰশাসনে দুৰ্যোগৰ স'তে মোকাবিলা কৰিবলৈ সাজু হৈ থকাৰ বাবে আৱশ্যকীয় সকলোবোৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰাটো নিশ্চিত কৰিব লাগিব।
(ঞ) দুৰ্যোগ বা দুৰ্যোগৰ সময়ত ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগে ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি নতুবা ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি বা জিলা প্ৰাধিকৰণক জৰুৰীভাবে উদ্ধাৰ, সাহাৰ্য্য আৰু পুনৰ সংস্থাপনৰ বাবে আৱশ্যকীয় সকলোবোৰ সমল উপলব্ধ কৰোৱাতো নিশ্চিত কৰিব লাগিব।
(ট) দুৰ্যোগত আক্ৰান্তসকললৈ পুনৰ সংস্থাপন আৰু পুনৰ নিৰ্মাণ কাৰ্য্য চলোৱাৰ ক্ষেত্ৰত সকলো ধৰণৰ সহায় সহযোগ আগবঢ়াব।
(ঠ) এই আইনখন সফল ভাবে ৰূপায়ণ কৰাৰ বাবে আৱশ্যক বুলি ভবা অন্যান্য বিষয়বোৰো হাতত ল'ব পাৰিব।

**ৰাজ্য চৰকাৰৰ বিভাগবোৰৰ দায়বদ্ধতা**

৩৯. ৰাজ্য চৰকাৰৰ প্ৰতিটো বিভাগৰে এইটোৰ প্ৰতি দায়বদ্ধতা থাকিবঃ-

(ক) দুৰ্যোগ প্ৰতিৰোধ, ক্ষয়-ক্ষতি হ্ৰাসকৰণ, পূৰ্বপ্ৰস্তুতি আৰু সক্ষমতা বৃদ্ধিৰ বাবে ৰাষ্ট্ৰীয় তথা ৰাজ্যিক প্ৰাধিকৰণৰ নিৰ্দেশনা অনুসৰি সকলো ধৰণৰ ব্যৱস্থা হাতত ল'ব।
(খ) দুৰ্যোগ প্ৰতিৰোধ আৰু ক্ষয়-ক্ষতি হ্ৰাসকৰণৰ বাবে সংহত ব্যৱস্থাৱলীয়ে বিভাগীয় উন্নয়ন পৰিকল্পনা তথা প্ৰকল্পসমূহত স্থান পাব।
(গ) দুৰ্যোগ প্ৰতিৰোধ, ক্ষয়-ক্ষতি হ্ৰাসকৰণৰ বাবে ব্যৱস্থাৱলী গ্ৰহণ কৰিবলৈ সক্ষমতা বৃদ্ধি আৰু সঁহাৰিৰ বাবে সাজু হৈ থাকিবলৈ আৱশ্যক হোৱা পুঁজি যোগানৰ ব্যৱস্থা কৰিব।
(ঘ) কোনো দুৰ্যোগ বা দুৰ্যোগৰ দৰে স্থিতিৰ উদ্ভৱ হ'লে তৎকালে আৰু সফলভাবে এই পৰিস্থিতিৰ প্ৰতি ৰাজ্যিক পৰিকল্পনাত থকা ব্যৱস্থা অনুসৰি সঁহাৰি জনাব লাগিব। এই ক্ষেত্ৰত ৰাজ্যিক নতুবা ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিৰ নিৰ্দেশনা পালন কৰিব লাগিব।
(ঙ) দুৰ্যোগ প্ৰতিৰোধ, প্ৰশমন, পূৰ্বপ্ৰস্তুতিৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱলীবোৰ পৰ্য্যালোচনা কৰিব লাগিব, নীতি-নিয়ম আইন আদি ভালদৰে পৰ্য্যালোচনা কৰি যদি ক'ৰবাত কিবা সুৰুঙা থাকে নতুবা নতুন কিবা ব্যৱস্থা গ্ৰহণৰ আৱশ্যকতা অনুভৱ হয় তেতিয়া হ'লে সেই মতে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।
(চ) ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি, ৰাজ্যিক কাৰ্য্যনিৰ্বাহক তথা জিলা প্ৰাধিকৰণক আৱশ্যক অনুসৰি তলত উল্লেখিত কামবোৰত সহায়ৰ হাত আগবঢ়াব লাগিব-

(১) ক্ষয়-ক্ষতি হ্ৰাসকৰণ, সাজু হৈ থাকি সঁহাৰি জনোৱা আঁচনি, সক্ষমতা বৃদ্ধি, তথ্য সংগ্ৰহ আৰু চিনাক্তকৰণ তথা দুৰ্যোগ ব্যৱস্থাপনাৰ সৈতে জড়িত ব্যক্তিসকলক প্ৰশিক্ষিত কৰা আদিৰ ক্ষেত্ৰত সঠিক প্ৰতিচ্ছবি এখন ডাঙি ধৰা আদি কামত।
(২) দুৰ্যোগত হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণ নিৰূপণ কৰাত।
(৩) সাহাৰ্য্য আৰু পুনৰ সংস্থাপন আৰু পুনৰ নিৰ্মাণ কৰাত।

(ছ) ৰাজ্যিক প্ৰাধিকৰণৰ সৈতে আলোচনা মৰ্মে জিলা পৰ্য্যায়ত জিলা পৰিকল্পনাৰ কাম -কাজসমূহ ৰূপায়িত কৰাৰ বাবে জিলা প্ৰাধিকৰণলৈ আৱশ্যকীয় সমল আৰু সম্পদৰ ব্যৱস্থা কৰিব লাগিব।

(জ) ৰাষ্ট্ৰীয় বা ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ বাবে দুৰ্যোগৰ সময়ত বা আন পৰিস্থিতিত তৎকালে সফল ভাবে সঁহাৰি জনাব পৰাকৈ সমল উপলব্ধ কৰোৱাৰ লগতে তলত উল্লেখ কৰা ব্যৱস্থাৱলীবোৰ যুগুতাব লাগিব-

(১) আশঙ্কা থকা বা দুৰ্যোগে চুই যোৱা অঞ্চলত জৰুৰীকালীন সংযোগ, যোগাযোগ ব্যৱস্থা বাহাল কৰা;

(২) দুৰ্গত অঞ্চলৰ পৰা তথা দুৰ্গত অঞ্চললৈ মানুহ তথা সাহাৰ্য্য সামগ্ৰী পৰিবহনৰ ব্যৱস্থা কৰা;

(৩) আৱশ্যক অনুসৰি ঠাই খালী কৰা, উদ্ধাৰ কাৰ্য্য চলোৱা, অস্থায়ী সাহাৰ্য্য শিবিৰ স্থাপন কৰা বা অন্যান্য তৎকালীন সাহাৰ্য্য আগবঢ়োৱা।

(৪) দুৰ্যোগ বা দুৰ্যোগৰ আশঙ্কা থকা অঞ্চলৰ পৰা মানুহ তথা পশুধন উলিয়াই অনা।

(৫) জৰুৰী ভাবে অস্থায়ী দলং, নাৱৰ বাবে জেটী সজা আৰু জৰুৰী বায়ুসেৱা ব্যৱস্থাৰ বাবে অৱতৰণৰ সুবিধা কৰি দিয়া।

(৬) স্বাস্থ্য, খোৱা পানী যোগান আদিকে ধৰি অত্যাৱশ্যকীয় সকলো সেৱা উপলব্ধ কৰোৱা।

(ঝ) দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে যাবতীয় আন-আন কাম-কাজবোৰ সমাধা কৰা।

**ৰাজ্যৰ বিভাগবোৰৰ দুৰ্যোগ ব্যৱস্থাপনা আঁচনি**

৪০. (১) ৰাজ্য চৰকাৰৰ প্ৰতিটো বিভাগে ৰাজ্যিক প্ৰাধিকৰণৰ নিৰ্দেশনাৰ সৈতে সামঞ্জস্য ৰাখি যুগুতাব ঃ-

(ক) তলত উল্লেখ কৰা ধৰণে দুৰ্যোগ ব্যৱস্থাপনা আঁচনিখন যুগুতাব-

(১) ৰাজ্যৰ বিভিন্ন অঞ্চলত ভাবুকি থকা বিভিন্ন দুৰ্যোগ অনুসৰি;

(২) দুৰ্যোগ প্ৰতিৰোধ তথা ক্ষয়-ক্ষতি হ্ৰাস কৰাৰ বাবে নিৰ্দিষ্ট ৰণকৌশল আঁচনিসহিতে বিশেষ ব্যৱস্থাৱলীবোৰ সংহত ভাবে বিভাগসমূহৰ উন্নয়ন আঁচনি তথা কাৰ্য্যসূচীত অৰ্ন্তভূক্ত কৰিব;

(৩) দুৰ্যোগ বা দুৰ্যোগৰ ভাবুকিৰ প্ৰতি ৰাজ্য চৰকাৰৰ বিভাগ সমূহ জৰুৰী সেৱা আগবঢ়োৱাৰ বাবে সাজু হৈ থাকি পালন কৰিব লগা ভূমিকাৰ ক্ষেত্ৰত বিশেষ ভাবে দায়বদ্ধ থাকিব ;

(৪) উপধাৰা (৩) অনুসৰি জৰুৰী সেৱা আগবঢ়োৱাৰ বাবে থকা দায়বদ্ধতা অনুসৰি সাজু হৈ থকাৰ বৰ্ত্তমান স্থিতিৰ সবিশেষ যুগুতাই ৰাখিব।

(৫) উপধাৰা ৩৭ অনুসৰি ভাৰত চৰকাৰৰ বিভিন্ন বিভাগ বা মন্ত্ৰণালয়সমূহে প্ৰস্তাৱিত নিজৰ-নিজৰ দায়িত্ব- দায়বদ্ধতা পালনৰ বাবে আৱশ্যকীয় সক্ষমতা আৰু সাজু হৈ থকাৰ শক্তি বৃদ্ধিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব;

(খ) ধাৰা (ক) অনুসৰি প্ৰতিবছৰে এই পৰিকল্পনাখন পৰ্য্যালোচনা কৰি সময়ৰ স'তে আৱশ্যক অনুসৰি ইয়াক খাপখুৱাই ৰাখিব লাগিব।

(গ) ধাৰা (ক) আৰু (খ) অনুসৰি পৰিকল্পনাখনৰ এটা প্ৰতিলিপি ৰাজ্যিক প্ৰাধিকৰণলৈ প্ৰেৰণ কৰিব লাগিব।

৪০ (২) ৰাজ্য চৰকাৰৰ প্ৰতিটো বিভাগে উপধাৰা (১) অনুসৰি পৰিকল্পনাখন যুগুতোৱাৰ সময়ত বিশেষভাবে উল্লেখ থকা অনুসৰি পুঁজি যোগানৰ ব্যৱস্থা ৰাখিব লাগিব।

(৩) ৰাজ্য চৰকাৰৰ প্ৰতিটো বিভাগে দুৰ্যোগ ব্যৱস্থাপনাৰ ওপৰত গ্ৰহণ কৰা কাৰ্য্যব্যৱস্থাৱলীৰ বৰ্ত্তমান স্থিতিৰ এটা খতিয়ান উপধাৰা (১) অনুসৰি ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিলৈ পঠাব লাগিব।

## অধ্যায়- ৬

### স্থানীয় প্ৰাধিকৰণ

**স্থানীয় প্ৰাধিকৰণৰ কাৰ্য্যাৱলী**

৪১. (১) জিলা প্ৰাধিকৰণৰ অনুমতি সাপেক্ষে , স্থানীয় প্ৰাধিকৰণে কৰিব ঃ-

(ক) দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে প্ৰাধিকৰণৰ কৰ্মচাৰী আৰু বিষয়াসকলক প্ৰশিক্ষিত কৰাটো নিশ্চিত কৰিব লাগিব।

(খ) দুৰ্যোগৰ ভাবুকি নতুবা দুৰ্যোগৰ সময়ত সকলোবোৰ সমল আৰু সম্পদ ব্যৱহাৰৰ উপযোগীকৈ আৰু সহজ ভাবে উপলব্ধ হোৱাকৈ ৰখাটো নিশ্চিত কৰি থ'ব লাগিব।

(গ) জিলাখনত নিৰ্মাণ হৈ থকা সকলোবোৰ আঁচনি আৰু প্ৰকল্প যাতে ৰাষ্ট্ৰীয় প্ৰাধিকৰণ, ৰাজ্যিক প্ৰাধিকৰণ, জিলা প্ৰাধিকৰণ তথা স্থানীয় প্ৰশাসনৰ দ্বাৰা দুৰ্যোগ প্ৰতিৰোধ আৰু ক্ষয়-ক্ষতি হ্ৰাস কৰাৰ বাবে জাৰী কৰা নিৰ্দেশনা অনুসৰি যথোচিত মানদণ্ড ৰক্ষা কৰিহে কৰা হয় সেইটো সুনিশ্চিত কৰিব লাগিব।

(ঘ) আক্ৰান্ত অঞ্চলত সাহাৰ্য্য, পুনৰ সংস্থাপন আৰু পুনৰ নিৰ্মাণ আদি কামবোৰ ৰাজ্যিক আৰু জিলা প্ৰাধিকৰণৰ নীতি অনুসৰি হ'ব লাগিব।

২. দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে স্থানীয় প্ৰাধিকৰণে আৱশ্যক বুলি ভবা অন্যান্য কামবোৰো ৰূপায়ণ কৰিব পাৰিব।

## অধ্যায়- ৭
## ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠান

**ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠান**

৪২. (১) ভাৰত চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনা জাৰী কৰাৰ দিনৰে পৰা প্ৰতিষ্ঠা হোৱা প্ৰতিষ্ঠানটো 'ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠান' নামেৰে নামাকৰণ হ'ব আৰু ইয়াৰ প্ৰতিষ্ঠা কাৰ্য্যকৰী হ'ব।

(২) ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠানত সদস্যৰ সংখ্যা কেন্দ্ৰীয় চৰকাৰে অনুমোদন দিয়া অনুসৰিয়ে হ'ব।

(৩) ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ সদস্যৰ কাৰ্য্যকাল, খালী হোৱা পদ পূৰণ কৰা কামআদি কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন অনুসৰি হ'ব।

(৪) ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠানত এখন গভৰ্ণিং বডি থাকিব। এই সমিতিখনৰ সদস্যসকলক প্ৰতিষ্ঠানৰ সদস্যসকলৰ মাজৰ পৰা কেন্দ্ৰীয় চৰকাৰে বিচৰা ধৰণে মনোনীত কৰিব পাৰিব।

(৫) ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ গভৰ্ণিং বডিয়ে ক্ষমতা আৰু কাৰ্য্যাৱলী আইনে প্ৰদান কৰা ক্ষমতা অনুসৰি সদ্ ব্যৱহাৰ কৰিব পাৰিব।

(৬) ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ গভৰ্ণিং বডিয়ে ক্ষমতা আৰু কাৰ্য্যাৱলী ৰূপায়ণৰ কাৰ্য্য প্ৰণালী বা পদ্ধতি, কাৰ্য্যকাল, সদস্যসকলৰ মাজৰ পৰা সদস্যৰ খালী পদ পূৰণ কৰা আদিকামবোৰ নীতি-নিয়মৰ বাধ্যবাধকতাৰ মাজেৰে হ'ব লাগিব।

(৭) ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ কোনো নীতি-নিয়ম কেন্দ্ৰীয় চৰকাৰে সলনি নকৰালৈকে এই প্ৰতিষ্ঠানৰ কোনো কাৰ্য্য প্ৰণালী ৰদবদল বা সাল সলনি হ'ব নোৱাৰিব। এই সাল-সলনি কেৱল কেন্দ্ৰীয় চৰকাৰেহে কৰিব পাৰিব।

(৮) ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰাধিকৰণে যুগুতোৱা নিৰ্দেশনা অনুসৰি- ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠানে এই আইনত থকা ব্যৱস্থা মতে বিস্তৃত পৰিসৰত কাম-কাজ কৰিব আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ পৰিকল্পনা, প্ৰশিক্ষণত উৎসাহ যোগোৱা আৰু গৱেষণাৰ ক্ষেত্ৰত দায়বদ্ধ থাকিব। লগতে দুৰ্যোগ ব্যৱস্থাপনা নীতিৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় পৰ্য্যায়ত তথ্য দাখিল, দুৰ্যোগ প্ৰতিৰোধ আৰু ক্ষয়-ক্ষতি হ্ৰাসকৰণ বিষয়ত ব্যৱস্থাগ্ৰহণৰ ৰণকৌশল নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত সম্পূৰ্ণভাবে দায়বদ্ধ থাকিব।

(৯) ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠানে উপধাৰা (৮) ত থকা ব্যৱস্থা অনুসৰি নীতি-নিয়মৰ ক্ষেত্ৰত কোনো পক্ষপাতিত্ব নকৰাকৈ নিজৰ কাৰ্য্যৰূপায়ণ কৰিব পাৰিব-

(ক) প্ৰশিক্ষণৰ আহিলা বিকশিত কৰা, দুৰ্যোগ ব্যৱস্থাপনা বিষয়ত গৱেষণা তথা তথ্য নথিভুক্ত কৰাৰ প্ৰক্ৰিয়া হাতত লোৱা, প্ৰশিক্ষণ আদি আয়োজন কৰা।

(খ) দুৰ্যোগ ব্যৱস্থাপনাৰ সকলো দিশ সামৰি সংক্ষিপ্তভাবে মানৱ সম্পদ উন্নয়ন আঁচনি গ্ৰহণ কৰি তাক ৰূপায়ণ কৰা।

(গ) ৰাষ্ট্ৰীয় নীতি যুগুতোৱাৰ ক্ষেত্ৰত সহযোগ কৰিব লাগিব।

(ঘ) চৰকাৰী প্ৰশাসন যন্ত্ৰৰ সমন্বিতে সকলো অংশীদাৰৰ বাবে দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰশিক্ষণ আৰু গযেষণা আদি আঁচনি বিকশিত কৰাৰ বাবে গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানক সহযোগ আগবঢ়াব লাগিব। ইয়াৰ লগতে ৰাজ্যিক পৰ্য্যায়ৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহৰ বিভাগীয় সদস্যসকলৰ বাবে প্ৰশিক্ষণৰ কাৰ্য্যসূচী আয়োজন কৰিব লাগিব।

(ঙ) দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত ৰাজ্যিক পৰ্য্যায়ৰ গাঁঠনি প্ৰস্তুত কৰা, নীতি নিৰ্দ্ধাৰণ, ৰণ কৌশল ৰচনা কৰা আদি কামত ৰাজ্য চৰকাৰ আৰু ৰাজ্যিক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহক সহায় কৰিব লাগিব। তাৰোপৰি আৱশ্যক অনুসৰি ৰাজ্য চৰকাৰ বা ৰাজ্যিক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহৰ দুৰ্যোগ ব্যৱস্থাপনাৰ বিভিন্ন অংশীদাৰ, চৰকাৰী প্ৰশাসন যন্ত্ৰ, সাধাৰণ সমাজৰ সদস্য, ব্যৱসায়িক গোষ্ঠী তথা নিৰ্বাচিত জনপ্ৰতিনিধি আদিকো সামৰি সক্ষমতা বৃদ্ধি কৰাত সকলোধৰণৰ সহায় আগবঢ়াব লাগিব।

(চ) দুৰ্যোগ ব্যৱস্থাপনাৰ ওপৰত শৈক্ষিক আহিলা বিকশিত কৰাৰ লগতে শৈক্ষিক আৰু বৃত্তিমুখী পাঠ্যক্ৰমো বিকশিত কৰিব লাগিব।

(ছ) দুৰ্যোগৰ বিভিন্ন অংশীদাৰ যেনেঃ কলেজ আৰু বিদ্যালয়ৰ ছাত্ৰ-শিক্ষক, কাৰিকৰী ব্যক্তি আৰু বিভিন্ন ধৰণৰ বিপৰ্য্যয়ৰ সময়ত ক্ষয়-ক্ষতি হ্ৰাসকৰণৰ স'তে জড়িত ব্যক্তিসকলৰ মাজত সজাগতা বৃদ্ধি কৰাৰ বাবে উৎসাহিত কৰিব।

(জ) দুৰ্যোগ ব্যৱস্থাপনা বিষয়ৰ ওপৰত দেশৰ ভিতৰত বা দেশৰ বাহিৰতো বিভিন্ন ধৰণৰ পাঠ্যক্ৰম, আলোচনা চক্ৰ আদি হাতত লোৱা বা আয়োজন কৰি সকলোকে উৎসাহিত কৰিব।

(ঝ) উদ্দেশ্য সাধন হোৱাকৈ বিভিন্ন ধৰণৰ পত্ৰিকা বা গৱেষণাপত্ৰ, পুথি আদি প্ৰকাশ আৰু প্ৰচাৰ আৰু পুথিভঁৰাল আদিৰ ব্যৱস্থা কৰিব লাগিব।

(ঞ) ওপৰোক্ত উদ্দেশ্য সাধন হোৱাকৈ আইন সন্মত আন-আন পন্থাবোৰো অৱলম্বন কৰিব লাগে।

(ট) কেন্দ্ৰীয় চৰকাৰে দায়িত্ব দিয়া আন অনুষ্ঠান আদিও অনুষ্ঠিত কৰিব লাগিব।

**ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ বিষয়া-কৰ্মচাৰী**

৪৩. কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠান পৰিচালনাৰ বাবে আৱশ্যক হোৱা বিষয়া-কৰ্মচাৰী-পৰামৰ্শদাতা আদিৰ ব্যৱস্থা কৰি দিব।

## অধ্যায়- ৮
## ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি দল

**ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি দল**

৪৪. (১) কোনো দুৰ্যোগ বা দুৰ্যোগৰ দৰে স্থিতিত বিশেষভাবে সঁহাৰি জনাবলৈ ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি দল গঠন কৰা হ'ব।

(২) এই আইনত থকা ব্যৱস্থা অনুসৰি এই দলটো নিৰ্দ্ধাৰিত নিয়ম মৰ্মে গঠিত হ'ব আৰু সদস্যৰ কাৰ্য্যনিৰ্বাহৰ চৰ্ত্ত, কাৰ্য্যকাল, অন্যান্য অনুশাসনমূলক ব্যৱস্থা আদি সেই অনুসৰি প্ৰযোজ্য হ'ব।

৪৫. এই দলটোক নিয়ন্ত্ৰণ, নিৰ্দেশনা ইত্যাদি দি ৰাষ্ট্ৰীয় প্ৰাধিকৰণে কামত লগাব আৰু দলটোক আজ্ঞা দিব কেন্দ্ৰীয় চৰকাৰে সঞ্চালক প্ৰধান হিচাপে নিয়োগ কৰা মুখ্য বিষয়াজনে।

## নৱম অধ্যায়
## বিত্ত, হিচাপ আৰু লেখ পৰীক্ষা

**ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি পুঁজি**

৪৬. (১) কেন্দ্ৰীয় চৰকাৰে জাৰী কৰা অধিসূচনা চৰকাৰী ৰাজপত্ৰত প্ৰকাশ পোৱাৰ লগে-লগে চৰকাৰে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি দলে কোনো দুৰ্যোগ বা দুৰ্যোগৰ ভাবুকি আদি খৰচৰ জোৰা মাৰিবলৈ ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি পুঁজি নামাকৰণেৰে পুঁজি যোগানৰ ব্যৱস্থা এনেদৰে কৰিব পাৰিব-

(ক) কেন্দ্ৰীয় চৰকাৰে কোনো ধনৰাশি বিহিত আইনী প্ৰক্ৰিয়াৰে সংসদত অনুমোদিত কৰি যোগান ধৰিব পাৰিব।
(খ) দুৰ্যোগ ব্যৱস্থাপনাৰ বানে কোনো প্ৰতিষ্ঠান বা ব্যক্তি বিশেষে অনুদান আগবঢ়াব খুজিলে সেই অনুদান আগবঢ়াব পাৰিব।

(২) ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি পুঁজি ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহকৰ বাবে উপলব্ধ কৰাব লাগিব আৰু জৰুৰী অৱস্থাত সেই পুঁজি কেন্দ্ৰীয় চৰকাৰে গঠন কৰা ৰাষ্ট্ৰীয় প্ৰাধিকৰণৰ নিৰ্দেশনা অনুসৰি দুৰ্যোগৰ ফলত ক্ষতিগ্ৰস্ত লোকক সঁহাৰি, উদ্ধাৰ আৰু পুনৰ সংস্থাপনৰ কামত ব্যৱহৃত হ'ব।

**ৰাষ্ট্ৰীয় দুৰ্যোগত ক্ষয়-ক্ষতি হ্ৰাসকৰণ পুঁজি**

৪৭. (১) কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনা জাৰী কৰাৰ লগে-লগে ৰাষ্ট্ৰীয় দুৰ্যোগত ক্ষয়-ক্ষতি ৰোধকৰণৰ বাবে বিশেষকৈ প্ৰকল্পসমূহত ক্ষয়-ক্ষতি হ্ৰাস কৰাৰ কাৰণে ৰাষ্ট্ৰীয় দুৰ্যোগ ক্ষয়-ক্ষতি ৰোধকৰণ পুঁজি নামৰ এটা পুঁজি গঠন কৰিব পাৰিব। এই পুঁজিৰ ধনৰাশি বিহিত আইনী প্ৰক্ৰিয়াৰে সংসদৰ অনুমোদন সাপেক্ষে কেন্দ্ৰীয় চৰকাৰে যোগান ধৰিব পাৰিব।
(২) ৰাষ্ট্ৰীয় দুৰ্যোগ ক্ষয়-ক্ষতি ৰোধকৰণ পুঁজিৰ ধনৰাশি কেৱল ৰাষ্ট্ৰীয় প্ৰাধিকৰণেহে ব্যৱহাৰ কৰিব পাৰিব।

**ৰাজ্য চৰকাৰৰ দ্বাৰা পুঁজিৰ ব্যৱস্থা**

৪৮. (১) ৰাজ্য চৰকাৰে চৰকাৰী ৰাজপত্ৰত ৰাজ্যিক আৰু জিলা প্ৰাধিকৰণ গঠনৰ অধিসূচনা জাৰী কৰাৰ লগে-লগে এই আইন অনুসৰি ৰাজ্য চৰকাৰে তলত উল্লেখ কৰা নামেৰে পুঁজি গঠিত কৰিব পাৰিবঃ-

(ক) ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজি নামেৰে নামাকৰণ কৰা পুঁজি;
(খ) জিলা দুৰ্যোগ সঁহাৰি পুঁজি নামেৰে নামাকৰণ কৰা পুঁজি;
(গ) ৰাজ্যিক দুৰ্যোগ ক্ষয়-ক্ষতি ৰোধকৰণ পুঁজি নামেৰে নামাকৰণ কৰা পুঁজি;
(ঘ) জিলা দুৰ্যোগ ক্ষয়-ক্ষতি ৰোধকৰণ পুঁজি নামেৰে নামাকৰণ কৰা পুঁজি।

(২) ৰাজ্য চৰকাৰে এইটো নিশ্চিত কৰিব লাগিব যাতে গঠন কৰা পুঁজি-

(১) ধাৰা (ক)ৰ উপধাৰা (১) অনুসৰি ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ বাবে উপলব্ধ হয়;
(২) উপ-ধাৰা (গ)ৰ উপখণ্ড (১) অনুসৰি ৰাজ্যিক প্ৰাধিকৰণৰ বাবে উপলব্ধ হয়;
(৩) ধাৰা (খ আৰু ঘ)ৰ উপখণ্ড (১) অনুসৰি জিলা প্ৰাধিকৰণৰ বাবে উপলব্ধ হয়;

**বিভাগ আৰু মন্ত্ৰণালয়বোৰৰ পুঁজি আৱণ্টন**

৪৯. (১) কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিটো বিভাগ বা মন্ত্ৰণালয়ে ইয়াৰ বাৰ্ষিক পৰিকল্পনাত দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে কৰিব লগা কামবোৰৰ বাবে পুঁজি যোগানৰ ব্যৱস্থা ৰাখিব লাগিব।
(২) ৰাজ্য চৰকাৰৰ বিভাগসমূহে উপখণ্ড (১)ৰ ব্যৱস্থাৱলী যাৱতীয় সালসলনি অনুসাৰে ৰাজ্যত প্ৰয়োগ কৰিব লাগিব।

**জৰুৰীকালীন সংগ্ৰহ আৰু হিচাপ ৰক্ষা**

৫০. কোনো দুৰ্যোগ বা দুৰ্যোগৰ দৰে স্থিতিত ৰাষ্ট্ৰীয় প্ৰাধিকৰণ, ৰাজ্যিক নতুবা জিলা প্ৰাধিকৰণ পতিয়ন যোৱাকৈ উদ্ধাৰ আৰু সাহাৰ্য্য অভিযানত ব্যৱহৃত হ'ব পৰাকৈ তৎকালে সকলোবোৰ ব্যৱস্থা বা সম্পদ তথা সমল উপলব্ধ হ'ব লাগিব-

(ক) সংশ্লিষ্ট বিভাগ বা কৰ্ত্তৃপক্ষক কৰ্ত্তৃত্ব দিব লাগিব যাতে আৱশ্যকৰ সময়ত তৎকালে সেইবোৰ উপলব্ধ কৰোৱাৰ ক্ষেত্ৰত থকা নিবিদা আহ্বানৰ প্ৰক্ৰিয়া আদি শিথিল কৰিব লাগিব।
(খ) ৰাষ্ট্ৰীয়-ৰাজ্যিক বা জিলা প্ৰাধিকৰণৰ কৰ্ত্তৃত্ব প্ৰাপ্ত এই বিষয়বোৰ পৰিচালনা কৰা বিষয়াজনে এনেধৰণৰ জৰুৰীকালীন অৱস্থাত সদ্ব্যৱহাৰৰ প্ৰমাণ পত্ৰ দিয়াৰ ক্ষেত্ৰত সঠিক ৰচিদ বা নথি আদিৰে হিচাপ দাখিল কৰিব পৰাৰ ব্যৱস্থা কৰিব লাগিব।

# দশম অধ্যায়
## অপৰাধ আৰু শাস্তি

কামত বাধা প্ৰদানৰ বাবে শাস্তি

৫১. যুক্তিসঙ্গত কোনো কাৰণ নোহোৱাকৈ -

(ক) কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ কোনো বিষয়া-কৰ্মচাৰী বা ব্যক্তি যাক ৰাষ্ট্ৰীয় প্ৰাধিকৰণ, ৰাজ্যিক-জিলা প্ৰাধিকৰণে কৰ্তৃত্ব প্ৰদান কৰি থৈছে সেই ব্যক্তিয়ে এই আইন অনুসৰি পালন কৰিব লগা দায়িত্ব পালন কৰোতে কোনোৱে বাধা প্ৰদান কৰিলে-

(খ) কেন্দ্ৰীয়, ৰাজ্য চৰকাৰ, ৰাষ্ট্ৰীয়, ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি বা জিলা প্ৰাধিকৰণে দিয়া কোনো দায়িত্ব পালন কৰিবলৈ অস্বীকাৰ কৰিলে-

সেই ব্যক্তিৰ বিৰুদ্ধে এই আইন অনুসৰি অতিকমেও এবছৰৰ বাবে জেল বা জেলৰ ম্যাদ বৃদ্ধিও হ'ব পাৰে নতুবা জৰিমণাও হ'ব পাৰে। কেতিয়াবা একেলগে জেল আৰু জৰিমণা দুয়োটাই হ'ব পাৰে। সেই দায়িত্ব পালন নকৰাৰ বাবে জনসাধাৰণৰ যদি প্ৰাণ নাশ হয় বা কিবা প্ৰৱল ভাবুকিয়ে দেখা দিয়ে তেতিয়া অতিকমেও দুবছৰ বাবে জেল হ'ব পাৰে বা তাৰ ম্যাদ বৃদ্ধিও হ'ব পাৰে।

ভুৱা দাবী কৰাৰ বাবে শাস্তি

৫২. কোনোবাই জানি-শুনি নতুবা নজনাকৈ নতুবা দুৰ্যোগত আক্ৰান্ত বুলি কোনো সাহাৰ্য্য-সহায় ল'লে, কোনো মেৰামতি কৰোৱালে বা নতুনকৈ কিবা সজাই ল'লে নতুবা দুৰ্যোগত ক্ষতি হোৱা বুলি কিবা ক্ষতিপূৰণ কোনো কেন্দ্ৰীয়-ৰাজ্য চৰকাৰৰ বিষয়াৰ পৰা, ৰাষ্ট্ৰীয়-ৰাজ্যিক-জিলা প্ৰাধিকৰণৰ পৰা ল'লে আৰু সেই দাবী যদি ভুৱা বুলি প্ৰমাণিত হয় তেতিয়া হ'লে অতিকমেও দুবছৰৰ বাবে জেল হ'ব পাৰে বা তাৰ ম্যাদ বৃদ্ধিও হ'ব পাৰে নতুবা জেল আৰু জৰিমণা দুয়োটা শাস্তিয়েই হ'ব পাৰে।

টকা পইচাৰ অপব্যৱহাৰ কৰাৰ বাবে শাস্তি

৫৩. কাৰোবাক যদি টকা পইচা বা কোনো সামগ্ৰী লেন-দেনৰ দায়িত্ব দিয়া হৈছে নতুবা দুৰ্যোগৰ সময়ত বা দুৰ্যোগৰ দৰে স্থিতিত টকা-পইচা, সামগ্ৰী আদি সাহাৰ্য্য প্ৰদানৰ বাবে দিয়া হৈছিল তেতিয়া সেই সামগ্ৰী নতুবা টকা-পইচা অপব্যৱহাৰ কৰা নতুবা নিজৰ কামত ব্যৱহাৰ কৰা, নহ'লে ইচ্ছাকৃত ভাবে আংশিক ৰূপতো যদি আনকো অপব্যৱহাৰ কৰিবলৈ বাধ্য কৰিছে; তেতিয়া হ'লে সেই ব্যক্তিৰ অতিকমেও দুবছৰৰ বাবে জেল হ'ব পাৰে বা তাৰ ম্যাদ বৃদ্ধিও হ'ব পাৰে নতুবা জেল আৰু জৰিমণা দুয়োটা শাস্তিয়েই হ'ব পাৰে।

ভুৱা বাতৰি প্ৰচাৰ কৰাৰ বাবে শাস্তি

৫৪. কোনোবাই যদি মিছাকৈ দুৰ্যোগৰ বাতৰি প্ৰচাৰ কৰে বা ভয়াবহ দুৰ্যোগৰ মিছা আগজাননী প্ৰচাৰ কৰে আৰু তাৰ ফলত মানুহৰ মাজত আতংক বিয়পি পৰে, তেতিয়া হ'লে সেই ব্যক্তিৰ অতিকমেও এবছৰৰ বাবে জেল হ'ব পাৰে বা তাৰ ম্যাদ বৃদ্ধিও হ'ব পাৰে নতুবাজেল আৰু জৰিমণা দুয়োটা শাস্তিয়েই হ'ব পাৰে।

**চৰকাৰী বিভাগে কৰা অপৰাধ**

৫৫(১) কোনো বিভাগত কোনো দুৰ্নীতি বা অপৰাধ সংঘটিত হ'লে এই আইন অনুসৰি সেই বিভাগৰ বিভাগীয় প্ৰধানক সেই অভিযোগৰ বাবে অভিযুক্ত কৰা হ'ব আৰু বিহিত শাস্তি প্ৰদান কৰা হ'ব যদিহে তেখেতে প্ৰমাণ কৰিব নোৱাৰে যে সকলোবোৰ তেখেতৰ অজ্ঞাতেই হৈছে নতুবা এনেধৰণৰ কাৰ্য্য সংঘটিত নহ'বৰ বাবে তেখেতে সকলো ব্যৱস্থা গ্ৰহণ কৰিছিল।

(২) তথাপিও কোনো বিভাগত কোনো দুৰ্নীতি বা অপৰাধ সংঘটিত হ'লে আৰু এইটো যদি প্ৰমাণিত হয় যে বিভাগীয় প্ৰধানৰ অজ্ঞাতে বা কোনো বিষয়াৰ মৌন সমৰ্থনৰ বাবেই বা তেখেতে কৰা কিবা অৱহেলাৰ বাবে এই অপৰাধ সংঘটিত হৈছে, তেতিয়াহ'লে আইন অনুসৰি সেই বিভাগৰ সেই বিষয়াজনক সেই অভিযোগৰ বাবে অভিযুক্ত কৰা হ'ব আৰু বিহিত শাস্তি প্ৰদান কৰা হ'ব।

**কোনো বিষয়াই এই আইনৰ দায়িত্ব পালনত ব্যৰ্থ হ'লে বা অৱহেলা কৰিলে পাব লগা দণ্ড**

৫৬. কোনো বিষয়াক এই আইন অনুসৰি যদি কিবা দায়িত্ব বা কৰ্ত্তব্য পালন কৰিবলৈ দিয়া হৈছে আৰু তেখেতে সেয়া পালন কৰাৰ পৰা নিজকে আঁতৰাই ৰাখিছে বা সেই দায়িত্ব পালন কৰিবলৈ অস্বীকাৰ কৰিছে তেতিয়াহ'লে তেখেতে ইয়াৰ বাবে শাস্তিৰ মুখা-মুখি হ'ব লাগিব, যদিহে ইয়াৰ বাবে তেখেতে তেখেতৰ ওপৰৱালা বিষয়াৰ পৰা আগতীয়াকৈ লিখিত অনুমতি নলয় বা সেই কাৰণটো তেখেতে আইনসঙ্গত ভাবে উপস্থাপন কৰিব নোৱাৰে।

**সংগ্ৰহ সম্বন্ধীয় কোনো আদেশ অমান্য কৰিলে পাব লগা দণ্ড**

৫৭. কোনো ব্যক্তিয়ে এই আইনৰ ধাৰা ৬৫ অনুসৰি প্ৰদান কৰা কোনো আদেশ অমান্য কৰিলে বিহিত শাস্তি প্ৰদান কৰা হ'ব আৰু তাৰবাবে ম্যাদ বৃদ্ধি কৰি এবছৰ পৰ্য্যন্ত জেল হ'ব পাৰে বা জৰিমণা হ'ব পাৰে নতুবা জেল আৰু জৰিমণা দুয়োটা শাস্তিয়েই হ'ব পাৰে।

**কোনো ব্যৱসায়িক প্ৰতিষ্ঠানে কৰা অপৰাধ**

৫৮(১) কোনো ব্যৱসায়িক প্ৰতিষ্ঠান বা কোনো যৌথ ব্যৱসায়িক প্ৰতিষ্ঠানে যদি এই আইন অনুসৰি কিবা অপৰাধ সংঘটিত কৰে তেতিয়া তাৰ ভাৰপ্ৰাপ্ত বা দায়িত্বশীল বিষয়াজন বা সেই কোম্পানীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

উপধাৰাত থকা অনুসৰি সেই ব্যক্তিজন নিজে কোনো দুৰ্নীতি বা অপৰাধত জড়িত নহয় বুলি প্ৰমাণিত কৰিব পাৰে নতুবা এই সকলোবোৰ তেওঁৰ অজ্ঞাতে বা এনে নহ'বলৈ সকলো ব্যৱস্থা লোৱা সত্বেও সংঘটিত হ'ল বুলি প্ৰমাণ কৰিব পাৰে তাৰ অন্যথা আইন অনুসৰি সেই বিষয়া বা ব্যক্তিজনক সেই অভিযোগৰ বাবে অভিযুক্ত কৰি বিহিত শাস্তি প্ৰদান কৰা হ'ব।

(২) তথাপিও এই আইনৰ উপধাৰা (১)ত থকা অনুসৰি কোনো কোম্পানীয়ে কোনো দুৰ্নীতি বা অপৰাধ সংঘটিত কৰিলে আৰু এইটো যদি প্ৰমাণিত হয় যে সেই কোম্পানীৰ কোনো এজন সঞ্চালক, পৰিচালক, সচিব বা সেই কোম্পানীৰ কোনো বিষয়াৰ জ্ঞাতসাৰে বা অৱহেলাৰ বাবে বা কাৰোবাৰ মৌন সমৰ্থনৰ বাবেই এই অপৰাধ সংঘটিত হৈছে ,তেতিয়াহ'লে আইন অনুসৰি সেইসকল বা সেইজনক সেই অভিযোগৰ বাবে অভিযুক্ত কৰা হ'ব আৰু আইন অনুসৰি বিহিত শাস্তি প্ৰদান কৰা হ'ব।

ইয়াৰ বাবে এই খণ্ডৰ ব্যাখ্যা এনেধৰণৰ ঃ-

(ক) 'কোম্পানী'ৰ অৰ্থ হ'ল- কোনো সংগঠিত সংস্থা বা কোনো ব্যক্তিবিশেষৰ কোনো প্ৰতিষ্ঠান; আৰু

(খ) 'সঞ্চালক' মানে হ'ল- কোনো প্ৰতিষ্ঠানৰ অংশীদাৰ।

**শাস্তি বিধানৰ বাবে আগতীয়া অনুমতি**

৫৯. এই আইনৰ ধাৰা ৫৫ আৰু ৫৬ অনুসৰি কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ পৰা আগতীয়া অনুমতি অবিহনে কোনো অপৰাধ দণ্ডযুক্ত নহয় যদিহে কোনো বিশেষ আদেশৰ দ্বাৰা চৰকাৰৰ হৈ কোনো বিষয়াক কৰ্তৃত্ব প্ৰদান কৰি থোৱা হোৱা নাছিল।

**অপৰাধৰ বিষয়ে সতৰ্কতা**

৬০. কোনো আদালতেই এই অপৰাধৰ বাবে সতৰ্ক কৰি দিব নোৱাৰিব যদিহে এইসকলৰ দ্বাৰা অভিযোগ কৰা নহয় ঃ

(ক) ৰাষ্ট্ৰীয় প্ৰাধিকৰণ, ৰাজ্যিক প্ৰাধিকৰণ, কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, জিলা প্ৰাধিকৰণ নতুবা সেইসকলৰ দ্বাৰা কৰ্তৃত্ব প্ৰাপ্ত কোনোৱে এই বিষয়ে অভিযোগ নকৰে; বা

(খ) যদিহে কোনো এজন ব্যক্তিক অভিযোগ উত্থাপন সম্পৰ্কে নিয়ম ভঙ্গকৰি ত্ৰিশদিনতকৈ কম সময়ৰ জাননী আৰু ৰাষ্ট্ৰীয় প্ৰাধিকৰণ, ৰাজ্যিক প্ৰাধিকৰণ, কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰ, জিলা প্ৰাধিকৰণ বা আন কোনো কৰ্তৃপক্ষ বা এই বিষয়ত কৰ্তৃত্ব প্ৰাপ্ত কোনো বিষয়াক অভিযোগ উত্থাপন কৰাৰ অভিপ্ৰায় সম্পৰ্কে সতৰ্ক কৰিব নোৱাৰিব।

## একাদশ অধ্যায়-
## অন্যান্য

**পক্ষপাতিত্ব কৰাৰ ওপৰত প্ৰতিবন্ধকতা**

৬১. দুৰ্যোগত আক্ৰান্ত কোনো লোকক কোনো ধৰণৰ ক্ষতিপূৰণ বা সাহাৰ্য্য বিতৰণ কৰাৰ সময়ত লিঙ্গ, সম্প্ৰদায় বা জাতি, সম্ভ্ৰান্ত বা ধৰ্ম আদিৰ ভিত্তিত কোনো পক্ষপাতিত্ব বা বৈষম্যমূলক আচৰণ কৰিব নোৱাৰিব।

**কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা দিব পৰাৰ ক্ষমতা**

৬২. তথাপিও কোনো আইনত কোনো ধৰণৰ নিৰ্দেশনা থাকিলেও কেন্দ্ৰীয় চৰকাৰে লিখিতভাবে কোনো নিৰ্দেশনা কোনো মন্ত্ৰণালয় বা ভাৰত চৰকাৰৰ কোনো বিভাগলৈ , ৰাষ্ট্ৰীয় বা ৰাজ্য চৰকাৰ, কাৰ্য্যনিৰ্বাহক সমিতি, ৰাজ্যিক প্ৰাধিকৰণ বা ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি, স্বতন্ত্ৰ নিকায় বা সমিতি বা ইয়াৰ কোনো বিষয়া বা কৰ্মচাৰীলৈ আৱশ্যকতা অনুসৰি দুৰ্যোগ ব্যৱস্থাপনাত সহায় কৰিবলৈ জনোৱা নিৰ্দেশনা বৈধ হ'ব আৰু সেই মন্ত্ৰণালয় বা বিভাগ, চৰকাৰ বা প্ৰাধিকৰণ, কাৰ্য্যনিৰ্বাহক সমিতি বা নিকায়সমূহৰ বিষয়া-কৰ্মচাৰী সেই আদেশ পালন কৰিবলৈ বাধ্য থাকিব।

**সাহাৰ্য্য আৰু উদ্ধাৰ অভিযান চলাব পৰাৰ ক্ষমতা**

৬৩. কোনো বিষয়া বা ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় শাসিত ৰাজ্যৰ কোনো প্ৰশাসনক যেতিয়া ৰাষ্ট্ৰীয়-ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি, জিলা প্ৰাধিকৰণ বা তেনে সমিতি বা প্ৰাধিকৰণৰ দ্বাৰা কৰ্তৃত্ব প্ৰাপ্ত কোনো ব্যক্তিৰ দ্বাৰা সেই সমিতিৰ বা প্ৰশাসনৰ হৈ কোনো বিষয়া-কৰ্মচাৰীক দুৰ্যোগ ব্যৱস্থাপনা বা আঅশঙ্কা নিৰাময়ৰ কামত নতুবা উদ্ধাৰ আৰু সাহাৰ্য্যৰ কামত সহায়ৰ হাত আগবঢ়াবলৈ অনুৰোধ কৰিলে তাক পালন কৰিব লাগিব।

**বিশেষ পৰিস্থিতিত আইন বা নিয়ম সংশোধন কৰা**

৬৪. এই আইনৰ বিধান অনুসৰি, ৰাষ্ট্ৰীয় কাৰ্য্য নিৰ্বাহক সমিতি, ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি, জিলা প্ৰাধিকৰণে যদি অনুভৱ কৰে যেকোনো আইন বা নিয়ম, নিৰ্দেশনা, জাননী, আদেশ, আঁচনি বা কোনো উপবিধি আদি দুৰ্যোগ প্ৰতিৰোধ বা দুৰ্যোগৰ আশঙ্কা নিৰাময় আৰু ক্ষয়-ক্ষতি হ্ৰাসকৰণৰ বাবে ইয়াৰ সংশোধনী কৰিব লগা আছে, তেতিয়া সেই আইন বা নিয়ম, নিৰ্দেশনা, জাননী, আদেশ, আঁচনি বা কোনো উপবিধি আদিৰ যাবতীয় সংশোধন ঘটাব পাৰিব আৰু সেই সংশোধনী বা নতুন নিয়ম অনুসৰি নিৰ্দিষ্ট বিভাগ বা কৰ্তৃপক্ষই সেই আৱশ্যকবোৰ পূৰাবলৈ সকলো বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

**সাহাৰ্য্য -উদ্ধাৰ অভিযানৰ বাবে অধিগ্ৰহণৰ বাবে ,ব্যৱস্থা ৰখা, যান-বাহনৰ ব্যৱস্থা ইত্যাদি কৰা**

৬৫.(১) ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি, ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি নতুবা জিলা প্ৰাধিকৰণ বা ইয়াৰ কৰ্তৃত্ব প্ৰাপ্ত বিষয়াই যদি অনুভৱ কৰে যে-

(ক) কোনো কৰ্তৃপক্ষ বা ব্যক্তি বিশেষৰ ওচৰত থকা কোনো সম্পদ তৎকালীন সাহাৰ্য্যৰ বাবে আৱশ্যক হৈছে-

(খ) উদ্ধাৰ অভিযানৰ বাবে কোনো ঘৰৰ আৱশ্যকতা বা আৱশ্যক হ'ব লগা হ'ব পাৰে বুলি ভাবিলে-

(গ) দুৰ্যোগত আক্ৰান্ত অঞ্চললৈ সাহাৰ্য্য আৰু উদ্ধাৰ অভিযান আৰু সংস্থাপন- পুনৰ নিৰ্মাণৰ বাবে কোনো সম্পদ পৰিবহনৰ কামত ব্যৱহৃত হ'ব লগা কোনো বাহনৰ আৱশ্যকতা অনুভৱ কৰিলে বা বাহনৰ আৱশ্যক হ'ব বুলি ভাবিলে-

তেনে ক্ষেত্ৰত সেই কৰ্ত্তৃপক্ষই লিখিতআদেশ যোগে সেই সম্পদ বা সেই ভৱন, বাহন আদি আক্ৰান্ত সেই অঞ্চললৈ সংযোগ স্থাপনৰ বাবে, উদ্ধাৰ আৰু সাহাৰ্য্য অভিযান চলাবৰ বাবে নতুবা সেই অভিযান আৰু জোৰদাৰ কৰি তুলিবৰ বাবে অধিগ্ৰহণ কৰিব পাৰিব।

২. যেতিয়া কোনো সম্পদ, ঘৰ বা বাহন আদি উপধাৰা (১) অনুসৰি অধিগ্ৰহণ কৰা হয় তেতিয়া তাত উল্লেখ কৰা সময়তকৈ আৰু অধিক সময় বৃদ্ধি কৰিব নোৱাৰিব- সেই সম্পদৰ সবিশেষ উপধাৰাত উল্লেখিত ধৰণৰ হ'ব-

৩. এই অংশত-

(ক) 'সম্পদ' মানে মানুহ আৰু অন্যান্য সম্পদ আদি।

(খ) 'সেৱা' বুলিলে সুবিধাবোৰ।

(গ) 'ভৱন' বুলিলে কোনো মাটি, কোনো ভৱন বা ভৱনৰ অংশ, জুপুৰি-চালি বা এনেধৰণৰ গাঁঠনি আদি।

(ঘ) 'বাহন' বুলিলে পৰিবহনৰ উদ্দেশ্যত ব্যৱহাৰ কৰিব পৰা, লাগিলে সি যান্ত্ৰিকেই হওক বা আনধৰণৰেই হওক।

**ক্ষতি পূৰণ আদায় দিয়া**

৬৬ (১). যেতিয়া কোনো এখন কমিটি, প্ৰশাসন বা বিষয়াই উপধাৰা ৬৫ৰ (১)ত উল্লেখ কৰা ধৰণে হোৱা আৱশ্যকত ব্যৱহাৰৰ বাবে ঘৰ অধিগ্ৰহণ কৰে তেতিয়া সেই ব্যক্তিজনক ক্ষতিপূৰণ হিচাপে তলত উল্লেখ কৰা ধৰণে সিদ্ধান্ত লৈ সেই মূল্য প্ৰদান কৰিব-

(১) ঘৰৰ বাবে ভাড়া প্ৰদান কৰিব আৰু যদিহে সেই ঘৰটোৰ ভাড়া নিৰ্দ্ধাৰণ কৰাত অসুবিধা হয় তেতিয়া সেই অঞ্চলত তেনে ঘৰৰ বাবে প্ৰদান কৰা নিৰিখ অনুসৰি সেই ভাড়া প্ৰদান কৰিব।

(২) সেই ঘৰ ব্যৱহাৰ কৰাৰ বাবে সেই ব্যক্তিজনে সেই ঘৰ এৰি আন ঠাইত থাকিব লগা হয় বা তাৰ পৰা তেখেতৰ ব্যৱসায় আন ঠাইলৈ স্থানান্তৰিত কৰিব লগা হয় তেতিয়া সেই আৱশ্যকীয় আৰু উচিত ব্যয়খিনিও (যদি কিবা থাকে) বহন কৰিব লাগিব।

আগ্ৰহী কোনো ব্যক্তি যদি সেই ক্ষতিপূৰণৰ পৰিমাণ লৈ সুখী নহয়, তেতিয়াহ'লে সেই ব্যক্তিজনে ত্ৰিশ দিনৰ ভিতৰত কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰলৈ এই বিষয়ে আবেদন কৰিব আৰু চৰকাৰে বিষয়টো চৰকাৰৰ দ্বাৰা মনোনীত বিচাৰকৰ দ্বাৰা নিষ্পত্তি কৰিবলৈ প্ৰেৰণ কৰি ইয়াৰ এক যথোচিত মীমাংসা কৰাব।

তথাপিও পিছত যদি এই ক্ষতিপূৰণ ভাগ-বটোৱাৰা লৈ আৰু কিবা বিবাদ থাকে তেতিয়া তাক ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰৰ হৈ বিবাদ নিষ্পত্তিৰ বাবে মনোনীত বিচাৰকলৈ প্ৰেৰণ কৰিব আৰু তাৰ সিদ্ধান্ত অনুসৰি সেই ক্ষতিপূৰণ বিতৰণ কৰা হ'ব।

**ব্যাখ্যা-** এই উপধাৰাত - 'আগ্ৰহী ব্যক্তি' মানে হ'ব- সেই ব্যক্তিজন যাৰ জিম্মাত ধাৰা ৬৪ অনুসৰি অধিগ্ৰহণৰ সময়ত সেই ঘৰটো আছিল বা য'ত কোনো এজন নিৰ্দিষ্ট ব্যক্তিৰ জিম্মাত সেই ঘৰটো নাথাকিলেও সেই সময়ত দখলত থকা মানুহজনকেই তাৰ অধিকাৰী বুলি বিবেচনা কৰা হ'ব।

(২) যেতিয়া কোনো এখন সমিতি, প্ৰশাসন বা বিষয়াই অধিগ্ৰহণৰ ধাৰা ৬৫ ৰ উপবিধি (১)ত উল্লেখ কৰা অনুসৰি বাহন অধিগ্ৰহণ কৰিব, তেতিয়া তাৰ বাবদ কেন্দ্ৰীয় বা ৰাজ্যচৰকাৰৰ মনোনীত নিৰিখ অনুসৰি সেই বাহনৰ গৰাকীক ক্ষতিপূৰণ দিব লাগিব আৰু সেয়া বাহনৰ ভাড়া হিচাপে হ'ব পাৰে নতুবা সেই অঞ্চলত প্ৰচলিত নিৰিখ হিচাপে হ'ব লাগিব।

আগ্ৰহী কোনো ব্যক্তি যদি সেই ক্ষতিপূৰণৰ পৰিমাণ লৈ সুখী নহয় তেতিয়াহ'লে সেই ব্যক্তিজনে ত্ৰিশ দিনৰ ভিতৰত কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰলৈ এই বিষয়ে আবেদন কৰিব আৰু চৰকাৰে বিষয়টো চৰকাৰৰ দ্বাৰা মনোনীত বিচাৰকৰ দ্বাৰা নিষ্পত্তি কৰিবলৈ প্ৰেৰণ কৰি ইয়াৰ এক যথোচিত মীমাংসা কৰাব।

তথাপিও পিছত যদি বাহন বা নাও আদিৰ গৰাকীৰ সৈতে বা তেনে দাবী কৰা ব্যক্তিৰ সৈতে যাৰ জিম্মাত অধিগ্ৰহণৰ সময়ত সেই বাহন বা নাওখন আছিল- ভাড়া সংক্ৰান্তত হোৱা চুক্তি মৰ্মে এই ক্ষতিপূৰণ বা ভাড়া ভাগ-বটোৱাৰা লৈ আৰু কিবা বিবাদ থাকে, তেতিয়া তাক ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰৰ হৈ বিবাদ নিষ্পত্তিৰ বাবে মনোনীত বিচাৰকলৈ প্ৰেৰণ কৰিব আৰু তাৰ সিদ্ধান্ত অনুসৰি সেই ক্ষতিপূৰণ বিতৰণ কৰা হ'ব।

**সংবাদ মাধ্যমৰ প্ৰতি আগজাননীৰ বিষয়ে নিৰ্দেশনা**

৬৭. ৰাষ্ট্ৰীয় প্ৰাধিকৰণ , ৰাজ্যিক প্ৰাধিকৰণ বা জিলা প্ৰাধিকৰণে চৰকাৰক এনেধৰণৰ অনুমোদন দিব পাৰে যাতে নিৰ্দেশনা জাৰী কৰি কোনো প্ৰশাসন বা শ্ৰব্য বা দৃশ্য-শ্ৰব্য মাধ্যমৰ ব্যক্তি বা গণ মাধ্যমৰ স'তে জড়িত ব্যক্তিৰ দ্বাৰা কোনো এটা দুৰ্যোগৰ আগজাননী বা সম্ভাৱনা বা এনে ঘটনাৰ বিষয়ে কোনো উপদেশ আদি সংযোগ মাধ্যমৰ জড়িয়তে প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰাব পাৰে।

**সিদ্ধান্ত বা আদেশৰ সত্যতা নিৰূপণ**

৬৮. ৰাষ্ট্ৰীয় প্ৰাধিকৰণ, ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক, ৰাজ্যিক প্ৰাধিকৰণ বা ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি, জিলা প্ৰাধিকৰণৰ প্ৰতিটো আদেশ বা সিদ্ধান্তৰে - ৰাষ্ট্ৰীয় প্ৰাধিকৰণ, ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক, ৰাজ্যিক প্ৰাধিকৰণ বা ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি, জিলা প্ৰাধিকৰণৰ কৰ্তৃত্ব প্ৰাপ্ত বিষয়াই সত্যতা নিৰূপণ কৰিব।

**আৰোপিত ক্ষমতা**

৬৯. ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক, ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিয়ে সাধাৰণ লিখিত আদেশ যোগে বা কোনো বিশেষ নিৰ্দেশনা যোগে সমিতিৰ সভাপতি বা সমিতিৰ কোনো সদস্য নতুবা কোনো বিষয়াক সময় আৰু সীমাবদ্ধতাৰ পৰিধিৰ ভিতৰত যদি কিবা আৱশ্যকতা থাকে তেতিয়া কৰ্ত্তব্য পালনৰ বাবে ক্ষমতা অৰ্পণ কৰিব পাৰিব।

**বাৰ্ষিক খতিয়ান**

৭০ (১). ৰাষ্ট্ৰীয় প্ৰাধিকৰণে বছৰত এবাৰ নিৰ্দ্ধাৰিত প্ৰপত্ৰ আৰু সময় অনুসৰি বাৰ্ষিক খতিয়ান যুগুতাব আৰু এই খতিয়ানত পাৰহৈ যোৱা বছৰটোত কৰা সকলোবোৰ কামৰ সঠিক তথ্য আৰু হিচাপৰ খতিয়ান সন্নিবিষ্ট কৰি ভাৰত চৰকাৰলৈ পঠাব আৰু চৰকাৰে এইখন পোৱাৰ এমাহৰ ভিতৰতে

দুয়োখন সদনতে উত্থাপন কৰিব।

(২). ৰাজ্যিক প্ৰাধিকৰণে বছৰত এবাৰ নিৰ্দ্ধাৰিত প্ৰপত্ৰ আৰু সময় অনুসৰি পাৰহে যোৱা বছৰটোত কৰা সকলোবোৰ কামৰ সঠিক তথ্য আৰু হিচাপৰ বাৰ্ষিক খতিয়ান যুগুতাই সেই খতিয়ান ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰিব আৰু ৰাজ্য চৰকাৰে এইখন পোৱাৰ এমাহৰ ভিতৰতে বিধান সভাত উত্থাপন কৰিব। উচ্চ সদন থাকিলে দুয়োখন সদনতে তাক উত্থাপন কৰিব লাগিব।

**আইনী ব্যৱস্থা গ্ৰহণত আৰোপিত বাধা**

৭১. উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ৰ বাহিৰে আন কোনো আদালতে কেন্দ্ৰীয় চৰকাৰ, ৰাষ্ট্ৰীয় প্ৰাধিকৰণ, ৰাজ্য চৰকাৰ, ৰাজ্যিক প্ৰাধিকৰণ, জিলা প্ৰাধিকৰণে এই আইনৰ পৰিসীমাৰ ভিতৰত জাৰী কৰা কোনো আদেশ, নিৰ্দেশনা বা ৰূপায়ণ কৰা কোনো কাম বা এনেধৰণৰ কাৰ্য্যকলাপৰ ওপৰত কোনো অভিযোগ বা মোকৰ্দমা আদি গ্ৰহণ কৰিব নোৱাৰিব।

**বলৱৎ হৈ থকা এখন আইনৰ ওপৰা ওপৰি**

৭২. এই আইনৰ ব্যৱস্থাৱলী কাৰ্য্যকৰী হ'ব কিন্তু কোনো ক্ষেত্ৰতে আগতীয়াকৈ যদি আন কিবা আইন বলৱৎ হৈয়ো থাকে তথাপিও কিন্তু এই আইনৰ কাৰ্য্যকৰীকৰণ কোনো ক্ষেত্ৰতে বাধাগ্ৰস্ত নহ'ব।

**সদিচ্ছা লৈ ৰূপায়িত কৰা কাম**

৭৩. এই আইনৰ ব্যৱস্থাৱলী কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ, ৰাষ্ট্ৰীয় প্ৰাধিকৰণ, ৰাজ্য চৰকাৰ-ৰাজ্যিক প্ৰাধিকৰণ, জিলা প্ৰাধিকৰণ, স্থানীয় প্ৰশাসন, কেন্দ্ৰীয় চৰকাৰ বা ৰাষ্ট্ৰীয় প্ৰাধিকৰণ, ৰাজ্য চৰকাৰ বা ৰাজ্যিক প্ৰাধিকৰণ, জিলা প্ৰাধিকৰণ বা স্থানীয় প্ৰশাসনৰ কোনো বিষয়া-কৰ্মচাৰী বা এনে পক্ষৰ হৈ কাম কৰা কোনো ব্যক্তি বা ৰূপায়িত কৰিব লগা কোনো কাৰ্য্য বা সদ্‌ভাৱ লৈ কৰিব খোজা কামৰ স'তে জড়িত চৰকাৰ, প্ৰাধিকৰণ, স্থানীয় প্ৰশাসন, ইয়াৰ স'তে জড়িত ব্যক্তিৰ ওপৰত এই আইনৰ পৰিসীমাৰ ভিতৰত কৰা কামৰ বাবে কোনো আদালতে মোকৰ্দমা গ্ৰহণ বা কোনো ধৰণৰ শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিব।

**আইনী ব্যৱস্থাৰ পৰা প্ৰতিৰোধ বা সুৰক্ষা**

৭৪. কেন্দ্ৰীয় চৰকাৰ, ৰাষ্ট্ৰীয় প্ৰাধিকৰণ, ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতি, ৰাজ্য চৰকাৰ-ৰাজ্যিক প্ৰাধিকৰণ, ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতি, জিলা প্ৰাধিকৰণৰ বিষয়া-কৰ্মচাৰীয়ে আসন্ন বিপদৰ আগজাননী নিজৰ দায়িত্বৰ পৰিসীমাৰ ভিতৰত জাৰী কৰাৰ ক্ষেত্ৰত বা তেনে জাননী প্ৰচাৰৰ বাবে নিৰ্দেশনা দিয়াৰ ক্ষেত্ৰত আইনী ব্যৱস্থাৰ মেৰপাকৰ পৰা নিৰাপত্তা পাব।

**কেন্দ্ৰীয় চৰকাৰৰ আইন ৰচনাৰ অধিকাৰ**

৭৫ (১) কেন্দ্ৰীয় চৰকাৰে এই আইনখনৰ কাৰ্য্য ৰূপায়ণৰ বাবে চৰকাৰী ৰাজপত্ৰত অধিসূচনা প্ৰকাশ কৰি আইন ৰচনা কৰিব পাৰিব।

(২) অৰ্পিত ক্ষমতা অনুসৰি বিশেষ ধৰণে আৰু কোনো ধৰণৰ পক্ষপাতিত্ব-মূলক আচৰণ নকৰাকৈ এই আইন সকলোৰে বাবে প্ৰযোজ্য হ'ব বা তলত উল্লেখ কৰা বিষয়ত প্ৰযোজ্য হ'ব; যেনে-

(ক) ৰাষ্ট্ৰীয় প্ৰাধিকৰণ গঠন আৰু ইয়াৰ সদস্যৰ সংখ্যা উপ-ধাৰা (২) অনুসৰি হ'ব আৰু সদস্যসকলৰ কাৰ্য্যকাল আৰু সেৱা উপ-ধাৰা (৪)ৰ খণ্ড ৩ অনুসৰিহে হ'ব।

(খ) উপদেষ্টা সমিতিৰ সদস্যসকলৰ ভাত্তা উপ-খণ্ড (২)ৰ খণ্ড ৭ অনুসৰি হ'ব।

(গ) ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহকৰ সভাপতিৰ ক্ষমতা আৰু কাৰ্য্যাৱলী উপখণ্ড (৩) ৰ খণ্ড ৮ আৰু ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিয়ে ইয়াৰ ক্ষমতা আৰু কাৰ্য্যৰূপায়ণৰ ক্ষেত্ৰত উপ-খণ্ড (৪) ৰ খণ্ড ৮ মানি চলিব লাগিব।

(ঘ) ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিয়ে গঠন কৰা উপ-সমিতিৰ স'তে জড়িত ব্যক্তিসকলক ভাত্তা উপ-খণ্ড (৩) ৰ খণ্ড ৯ অনুসৰি দিব লাগিব।

(ঙ) ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ সদস্যৰ সংখ্যা উপ-খণ্ড(২) অনুসৰি হ'ব আৰু সদস্যসকলৰ কাৰ্য্যকাল আৰু সদস্যসকলৰ মাজত খালী হোৱা আসন উপ-খণ্ড (৩) ত উল্লেখ কৰা ধৰণেৰে পূৰাব লাগিব আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ গভৰ্ণিং বডিৰ গঠন প্ৰক্ৰিয়া উপ-খণ্ড (৪)ৰ খণ্ড ৪২ অনুসৰি হ'ব।

(চ) দল বা বাহিনী গঠন কৰাৰ প্ৰক্ৰিয়া, বাহিনীৰ সদস্যসকলৰ সেৱাৰ চৰ্ত্ত শাস্তিমূলক ব্যৱস্থাৱলী সহিতে উপ-খণ্ড (২)ৰ খণ্ড ৪৪ অনুসৰি হ'ব।

(ছ) জগৰ লগোৱাৰ জাননী জাৰী কৰাৰ ধৰণ বা প্ৰক্ৰিয়া আৰু ৰাষ্ট্ৰীয়-ৰাজ্যিক প্ৰাধিকৰণ, কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ বা আন প্ৰশাসন বা বিষয়াক অভিযোগ দাখিল কৰাৰ অভিপ্ৰায় ধাৰা (খ)ৰ খণ্ড ৬০ অনুসৰি হ'ব।

(জ) বাৰ্ষিক খতিয়ান যুগুতোৱাৰ প্ৰপত্ৰ আৰু এই খতিয়ান যুগুতাব লগা সময়খিনি খণ্ড ৭০ ত উল্লেখ থকা অনুসৰি হ'ব লাগিব।

(ঝ) কৰিব লগা অন্যান্য বিষয়বোৰ নতুবা কৰিব লাগিব পাৰে বুলি সম্ভৱনা থকা, অনুমোদন বা অন্যান্য ব্যৱস্থাৱলীবোৰ বিধি অনুসৰিয়ে হ'ব লাগিব।

**নিয়ম প্ৰস্তুত কৰিব পৰাৰ ক্ষমতা**

৭৬.(১) ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠানে কেন্দ্ৰীয় চৰকাৰৰ আগতীয়া অনুমোদন সাপেক্ষে চৰকাৰী ৰাজপত্ৰত অধিসূচনা প্ৰকাশ কৰি এই আইনৰ বিধি ব্যৱস্থা বলৱৎ কৰাৰ বাবে নতুবা এই উদ্দেশ্য পূৰণৰ বাবে নীতি নিয়ম প্ৰণয়ন কৰিব পাৰিব।

(২) অৰ্পিত ক্ষমতা অনুসৰি বিশেষ ধৰণে আৰু কোনো ধৰণৰ পক্ষপাতিত্ব-মূলক আচৰণ নকৰাকৈ এই নিয়মাৱলী সকলোৰে বাবে প্ৰযোজ্য হ'ব বা তলত উল্লেখ কৰা বিষয়ত প্ৰযোজ্য হ'ব; বিশেষকৈ-

(ক) গভৰ্ণিং বডিয়ে প্ৰদান কৰা ক্ষমতা আৰু কাৰ্য্যাৱলী ৰূপায়ণ বা পালন কৰাৰ ক্ষেত্ৰত।

(খ) প্ৰাপ্ত ক্ষমতা আৰু কাৰ্য্যাৱলী ৰূপায়ণ বা পালন কৰোঁতে গভৰ্ণি বডিয়ে অনুসৰণ কৰা পদ্ধতিৰ ক্ষেত্ৰত।

(গ) এই আইনৰ আন-আন বিধি-ব্যৱস্থাৱলীবোৰ নিয়ন্ত্ৰণ বা আইন কৰাৰ ক্ষেত্ৰত।

**সংসদত উত্থাপন হ'ব লগা বিধি**

৭৭. এই আইনৰ আওঁতাৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰ বা ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠানে প্ৰণয়ন কৰা প্ৰতিটো নিয়ম বা নীতি নিৰ্দ্ধাৰিণ কৰাৰ লগে-লগে যিমান সোনকালে পাৰে সিমান সোনকালে প্ৰতিখন সদনত উত্থাপন কৰিব লাগিব। যদিহে সদন চলি থাকে তেতিয়া সদনৰ সেই অধিবেশনতে, যদিহে নহয় তেতিয়া পৰৱৰ্ত্তী এটা বা দুটা অধিবেশনত, মুঠতে এই প্ৰক্ৰিয়া সদনৰ ত্ৰিশটা কৰ্মদিনৰ ভিতৰত সম্পন্ন হ'ব লাগিব । এই প্ৰক্ৰিয়াৰ ত্ৰিশ কৰ্মদিন- সদনৰ এক অধিবেশনত বা পৰৱৰ্ত্তী এক- দুই বা ততোধিক অধিবেশনতো হ'ব পাৰে। সদনৰ সময়সীমা ওকলিব লগা সময়ত হ'লে চলিত অধিবেশনতে, নহ'লে পৰৱৰ্ত্তী অধিবেশনত দুয়োখন সদনত অনুমোদন লাভ কৰিব লাগিব। যদিহে দুয়োখন সদন একমতত উপনীত হয় যে ইয়াৰ সাল-সলনিৰ আৱশ্যক আছে তেতিয়া এই আইন যাবতীয় সাল-সলনি অনুসৰি প্ৰযোজ্য হ'ব বা এই আইন হ'ব নালাগে বুলি সদনে নাকচ কৰিলে ই কাৰ্য্যকৰী নহ'ব। এই সংশোধনী প্ৰক্ৰিয়া বা বাতিলকৰণৰ বৈধতা পূৰ্বৱৰ্ত্তী কোনো আইনৰ সুৰুঙাৰে পক্ষপাতিত্ব নকৰাকৈ হ'ব লাগিব।

**ৰাজ্য চৰকাৰৰ আইন প্ৰনয়ণৰ ক্ষমতা**

৭৮ (১). ৰাজ্য চৰকাৰে প্ৰণয়ন কৰা নতুন নীতি চৰকাৰী ৰাজপত্ৰত অধিসূচনা যোগে প্ৰকাশ কৰি এই বিধিৰ কাৰ্য্যাৱলীবোৰ ৰূপায়িত কৰিব পাৰিব।

(২). অৰ্পিত ক্ষমতা অনুসৰি বিশেষ ধৰণে আৰু কোনো ধৰণৰ পক্ষপাতিত্ব-মূলক আচৰণ নকৰাকৈ এই আইন সকলোৰে বাবে প্ৰযোজ্য হ'ব বা তলত উল্লেখ কৰা বিষয়ত প্ৰযোজ্য হ'ব; বিশেষকৈ-

(ক) ৰাজ্যিক প্ৰাধিকৰণ গঠন আৰু ইয়াৰ সদস্যৰ সংখ্যা উপ-ধাৰা(২) অনুসৰি হ'ব আৰু সদস্যসকলৰ কাৰ্য্যকাল আৰু সেৱা উপ-ধাৰা (৫)ৰ খণ্ড ১৪ অনুসৰিহে হ'ব;

(খ) উপদেষ্টা সমিতিৰ সদস্যসকলৰ ভাত্তা উপ-খণ্ড (২)ৰ খণ্ড ১৭ অনুসৰি হ'ব;

(গ) ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিৰ সভাপতিৰ ক্ষমতা আৰু কাৰ্য্যাৱলী উপখণ্ড (৩) ৰ খণ্ড ৮ আৰু ৰাষ্ট্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিয়ে ইয়াৰ ক্ষমতা আৰু কাৰ্য্যৰূপায়ণৰ ক্ষেত্ৰত উপ-খণ্ড (৪) ৰ খণ্ড ২০ অনুসৰি হ'ব;

(ঘ) ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সমিতিয়ে গঠন কৰা উপ-সমিতিৰ স'তে জড়িত ব্যক্তিসকলক ভাত্তা উপ-খণ্ড (৩) ৰ খণ্ড ২১ অনুসৰি দিব লাগিব।

(ঙ) জিলা প্ৰাধিকৰণ গঠন আৰু ইয়াৰ সদস্যৰ সংখ্যা উপ-ধাৰা(২) অনুসৰি হ'ব আৰু জিলা প্ৰাধিকৰণৰ মুখ্য কাৰ্য্যবাহী বিষয়াৰ ক্ষমতা আৰু কাৰ্য্যৰূপায়ণ উপ-খণ্ড (৩) ৰ খণ্ড ২৮ অনুসৰি হ'ব।

(ছ) জিলা প্ৰাধিকৰণে গঠন কৰা কোনো সমিতিৰ স'তে জড়িত বিশেষজ্ঞ ব্যক্তিসকলক ভাত্তা উপ-খণ্ড (৩) ৰ খণ্ড ২৮ অনুসৰি দিব লাগিব।

(জ) কৰিব লগা অন্যান্য বিষয়বোৰ নতুবা কৰিব লাগিব পাৰে বুলি সম্ভৱনা থকা, অনুমোদন বা অন্যান্য ব্যৱস্থাৱলীবোৰ বিধি অনুসৰিয়ে হ'ব লাগিব।

(৩) এই আইনৰ বিধি অনুসৰি ৰাজ্য চৰকাৰে প্ৰণয়ন কৰা প্ৰতিটো বিধি যিমান সোনকালে পৰা যায় সিমান সোনকালে বিধান সভাত উত্থাপন কৰিব লাগিব আৰু যদি দুখন সদন থাকে তেতিয়া দুয়োখন সদনতে অনুমোদনৰ বাবে উত্থাপন কৰিব লাগিব।

৭৯ (১) এই আইনৰ কাৰ্য্য ৰূপায়ণত যদি কিবা অসুবিধা থাকে তেতিয়া বিষয়টোৰ লগত জড়িত থকা অনুসৰি কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰে বিধান মতে সেই বাধা আঁতৰাবলৈ চৰকাৰী ৰাজপত্ৰত যাবতীয় অধিসূচনা প্ৰকাশ কৰি-বাধা আঁতৰাই ইয়াৰ ৰূপায়ণ ক্ষিপ্ৰ কৰাৰ ব্যৱস্থা কৰিব।

এই আইনখন কাৰ্য্যকৰী হোৱাৰ দুবছৰৰ ভিতৰত এই আদেশ জাৰী হ'লেহে ইয়াৰ বৈধতা থাকিব।

(২) এই আইনৰ বিধি অনুসৰি চৰকাৰে প্ৰণয়ন কৰা প্ৰতিটো বিধি যিমান সোনকালে পৰা যায় সিমান সোনকালে বিধানসভা বা প্ৰতিখন সদনত পেছ কৰিব লাগিব।

স্বাক্ষৰ মঃ এ হক
সচিব
অসম চৰকাৰ
বিধান বিভাগ, দিশপুৰ